# বিহু

## আৰু তাৰ প্ৰাকৃতিক চিত্ৰ।

৩০২৫/বি:
৫.৬.৯৯

2487

আসাম সাহিত্য সভা।
লাইব্ৰেৰী।
তাৰিখ... নং

শক—১৮৪০।

খৃষ্টাব্দ—১৯১৮।

# বিহু

## আৰু তাৰ প্ৰাকৃতিক চিত্ৰ।

৩০২৫/বিবিধ
৫.৩.৯৯

শ্ৰীগণেশচন্দ্ৰ হাজৰিকা প্ৰণীত।

কোৱঁৰপুৰ, শিৱসাগৰ।

আসাম সাহিত্য সভা।
লাইব্ৰেৰী।
তাৰিখ... নং

প্ৰথম তাঙ্গৰণ।

শঁক ১৮৪০, খৃষ্টাব্দ ১৯১৮।

বহাগ

~~২৭৮৩/অ:~~

৩০২৬/অ:

কলিকতা,

৬নং কলেজ-স্কোয়ার, সাম্য-যন্ত্রে,

শ্রীউপেন্দ্রনাথ দাস দ্বারা

মুদ্রিত ও প্রকাশিত।

# উছর্গা

গাঁৱলীয়া জীৱনৰ সুখ দুখত সুখ দুখ অনুভৱ কৰোঁতা,
অসমীয়া সাহিত্য ক্ষেত্ৰত সময়োপযোগী কবিতাৰ
ফুলনিবাৰী পাতি সৌন্দৰ্য্য বঢ়াওঁতা আৰু
স্কুলৰ ছাত্ৰাৱস্থাতে সেই ক্ষেত্ৰলৈকে
লিখকক নিমন্ত্ৰণ কৰি আদৰি
নিওঁতা

সুহৃদবৰ

**শ্ৰীযুত পদ্মধৰ চলিহা এম, এৰ**

হাতত

অকৃত্ৰিম স্নেহ আৰু কৃতজ্ঞতাৰ নাম
মাত্ৰ চিন স্বৰূপে পোন-প্ৰথমৰ
মৰমৰ বস্তু

**"বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ"**

সৰল অন্তঃকৰণেৰে অৰ্পণ কৰিলোঁ।

কোঁৱৰপুৰ শিৱসাগৰ
বহাগ ১৮৪০ শঁক

প্ৰণেতা।

শিৱসাগৰৰ পোন প্ৰথম বিহু-সন্মিলনীৰ প্ৰথম প্ৰৱন্ধ পুথিৰ আকাৰেৰে "বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ" প্ৰকাশ হ'ল।

ৰচোঁতা

ভাদ ১৮৪০ শঁক।

পোৱাৰ ঠাই—

শ্ৰীগণেশচন্দ্ৰ হাজৰিকা, শিক্ষক।
অধ্যক্ষ, ছাত্ৰ-মন্দিৰ নাজিৰা।

# সূচী।


| বিষয় | | | পিঠি |
|---|---|---|---|
| বিহুৰবঁটা আৰু ওলগ | ... | ... | ৵০ |
| আত্ম-নিবেদনৰ আগ শৰাই | ... | ... | ৶০ |
| পাতনি | ... | ... | ৷৵০ |
| আৰম্ভণ | ... | ... | ১ |
| বিহুৰ উৎপত্তি আৰু তাৰ বিৱৰণ | | ... | ৫ |
| বিহুৰ আৱশ্যকতা | ... | ... | ১২ |
| বিহু আৰু তাৰ সাময়িক দৃশ্যাৱলী | | ... | ১৫ |
| কাতি-বিহু | ... | ... | ১৫ |
| মাঘ বিহু | .. | ... | ১৯ |
| ৰঙালি বিহুৰ আদৰণি | ... | ... | ২৬ |
| বহাগ-বিহু | ... | ... | ২৭ |
| সামৰণি-শৰাইত বিহুৰ অবিহণা ... | | ... | ৩৯ |

# বিহুৰ বঁটা আৰু ওলগ।

ভাই অসমীয়া! আত্মসন্মান শিকা।

আত্ম মৰ্য্যাদা অমূল্যধন।

নিজৰ ক্ষমতা আৰু শক্তিত

বিশ্বাস কৰিবলৈ শিকা।

তেনেহলেই তোমাৰ হেৰোৱা মনুষ্যত্ব

তুমি আকৌ পাবা,

তেনেহলেই অসমীয়া জাতি এই

পৃথিবীত আকৌ মানুহমুৱা হৈ উঠিব পাৰিবা।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# আত্মনিবেদনৰ আগশৰাই

শিৱসাগৰৰ কেইজনমান সমনীয়াই বহাগৰ মানুহ-বিহুৰ দিনা "ক্লব" ঘৰত "বিহু-সম্মিলনী" স্থাপন কৰিবলৈ বিশেষ আয়োজন কৰাত নিবেদকৰ এজন অন্যতম বন্ধুৱে সেই উপলক্ষে এখনি উপযোগী ৰচনা লিখিবলৈ নিবেদকক অনুৰোধ কৰে। নিৰ্দ্দিষ্ট ৰচকৰ বান্ধনিত মেৰ খাই আৰু হৃদয়ে সেই বিষয়ৰ নানা সম্বল লৈ থকা ভাৰ পাতলাবলৈ ভাল চেগ পোৱাত "বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ" বাহিৰ হ'ল। ৰচনাখনি সেই অধিবেশনত পাঠ কৰাৰ পিচত ইজন-সিজন শ্ৰোতাৰ পৰা "ৰচনা" ভাল হৈছে বুলি শলাগ লোৱা কাণত পৰাত ক্ষুদ্ৰপুথিৰ অকাৰেৰে তাকে ৰাইজৰ আগলৈ আগ বঢ়াই দিবলৈ প্ৰবল ইচ্ছা হ'ল। সুহৃদজনৰ মত লৈ আজি ৰাইজৰ আগলৈ ক্ষুদ্ৰৰচনা খনিকে পুথিৰ আকাৰেৰে আগ বঢ়াই দিলোঁ। সেই দেখিহে "বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ" পুথিখনি ৰাইজৰ আগত উপস্থিত হবলৈ সক্ষম হৈছে। এই বিষয়ে সেই অধিবেশনত উপস্থিত থকা শ্ৰোতামণ্ডলী অশেষ ধন্যবাদৰ পাত্ৰ। সাহিত্যক্ষেত্ৰলৈ আগবাঢ়িবলগীয়া আন আন পুথিৰ কামকো চেৰ পেলাই সাহিত্য-ক্ষেত্ৰত নামমাত্ৰ চিনস্বৰূপে ভাৱনাৰ সূত্ৰধাৰীৰ বেশেৰে যে এই ক্ষুদ্ৰ পুথি আগ বাঢ়ি আগতে ওলাব পাৰিলে ই কেৱল নিবেদকৰ উৎপতীয়া মনৰ আবেগ আৰু সম্মিলনীৰ কেইজনমান সমালোচকৰ হেঁচাত পৰি। পুথিৰ ৰচনা ভাল-বেয়া

বিচাৰ কৰাৰ ভাৰ এতিয়া সমূহ ৰাইজৰ ওপৰত। জগৎখনিকে আমি সম্পূৰ্ণকৈ দেখিবলৈ সমৰ্থ হোৱা নাই। গতিকে আমাৰ ক্ষুদ্ৰ ৰচনাই যে সম্পূৰ্ণকৈ কিবা দেখুৱাব বা দিব পাৰিব ই অতি দুৰূহ। সি যি কি নহওক ৰাইজৰ বস্তু এতিয়া ৰাইজলৈ আগবঢ়াই আমি আন কাম হাতত লবলৈ সাজু হলোঁ। ক্ষুদ্ৰপুথিয়ে ৰাইজক যদি কিবা দিব পাৰে তেনেহলেও পৰিশ্ৰম সাৰ্থক মানিম। কেইটামান ওখ খাপৰ বস্তুক ডেই যি ক্ষুদ্ৰ পুথিয়ে ৰাইজৰ সাহিত্য ক্ষেত্ৰলৈ বাট ল'লে সেইপুথিৰ বাটেদি যাতে বাটৰ মূৰত ৰৈ থকা বাকী সকলেও বাট লবলৈ সুবিধা পায় তাৰ নিমিত্তে সহৃদয় পাঠক-পাঠিকাসকলে যেন চেষ্টা কৰি আমাৰ মনৰ কামনা পূৰণ কৰে। কাৰ্য্যেৰে সহানুভূতিৰ চিন পাবলৈ আমি বাটলৈ চাই থাকিলোঁ।

সৰশেষত ৰাইজক সৰল অন্তঃকৰণেৰে জনাওঁ যে ৰচনাখনি গঢ়াৰ আগতে নাজিৰা গভৰ্ণমেণ্ট এইডেড্ হাইস্কুলৰ ভূতপূৰ্ব্ব সহকাৰী শিক্ষক, এতিয়া ব্ৰাহ্মণবাড়ীয়া আদালতৰ উকীল নিবেদকৰ পোন-পতীয়া বন্ধু শ্ৰীযুত জগদীশচন্দ্ৰ ভট্টাচাৰ্য্য, বি, এল মহাশয়েৰে সৈতে "বিহু"ৰ বিষয়ে জ্যোতিষশাস্ত্ৰৰ পিচ ধৰি আলোচনা কৰিছিলোঁ সেই আলোচনাই ৰচনাখনিক বহুত সহায় কৰিলে। গতিকে তেখেতৰ নিমিত্তে অন্তৰৰ কৃতজ্ঞতা জনালোঁ। পুথিখনি প্ৰকাশ কৰিবলৈ উৎসাহ দিয়া বাবে সাংসাৰিক কামৰ সহযোগী বন্ধুবৰ শ্ৰীযুত দেবজান দাস পণ্ডিত্‌ৰ ওচৰত কৃতজ্ঞতা পাশত বদ্ধ হলোঁ।

অসমীয়া সাহিত্যক্ষেত্ৰত স্বনামধন্য আৰু আমাৰ সাহিত্যিক সকলৰ পূজ্য শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা, বি,এ, ডাঙৰীয়াই অনুগ্ৰহ কৰি তেখেতৰ বাঁহী কাকতত প্ৰকাশ হোৱা "বিহুৰ বঁটা আৰু

ওলগ" নামৰ সাময়িক প্ৰবন্ধটি এই ক্ষুদ্ৰ পুথিৰ কোলাত তুলি লবলৈ অনুমতি দিয়াত প্ৰীতি আৰু ভক্তিৰে কৃতজ্ঞতাৰ মালা এধাৰি সুকীয়াকৈ আগ কৰিলোঁ। বিহুসম্মিলনীৰ অধিবেশনত গোৱা ৰঙালি বিহুৰ আদৰণি গীতটি সুহৃদ্বৰ চলিহাদেৱে পুথিৰ গৰ্ভত আদৰি লবলৈ অনুমতি দিয়াৰ বাবে এষাৰ মাতৰ বাহিৰে আৰু আন বস্তু দিবলৈ হাতত একো সম্বল নাই।

এই পুথিখনি ছপাখানালৈ পঠোৱাৰ আগতে গুৱাহাটীপ্ৰবাসত সভা সমিতিৰ নানা কাৰ্য্যত উদগণি দিওঁতা, ছাত্ৰসমূহৰ চিৰলগৰীয়া শ্ৰদ্ধাভাজন শ্ৰীযুত লক্ষ্মীনাথ শৰ্ম্মা, বিদ্যাৰত্ন, এম, এ, বৰ্ত্তমান শিৱসাগৰ গভৰ্ণমেণ্ট হাইস্কুলৰ হেড মাষ্টৰ ডাঙৰীয়াই নানা কাম কাটি কৰি পুথিখনিৰ সাৰোভাগত হাত আৰু চকু ফুৰাই দিয়াত লিখক তেখেতৰ ওচৰত চিৰঋণী হৈ থাকিল।

ওপৰঞ্চিত কবলগীয়া এই যে কলিকতাৰ ছপাখানাত এই পুথি ছপা কৰোঁতে আৰ্হি পাঠ কৰি সহায়কৰোঁতা প্ৰিয়বৰ শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ, বি-এ এক এখনি শলাগৰ শৰাই সুকীয়াকৈ দিলোঁ। এই খিনিতে উল্লেখ কৰিব লগীয়া লগৰীয়া শ্ৰীযুত ক্ষেত্ৰধৰ বৰ গোহাঁই, বি, এ,ই যথাসময়ত এটি সাৰুৱা সঙ্কেত দি সহায় কৰাৰ বাবে তেখেতৰ পৰা উপযুক্ত সহানুভূতি পালোঁ বুলি মুকলি সুৰেৰে স্বীকাৰ কৰিলোঁ। আত্ম-কথাৰ ভাপ বেচি কৰিবলৈ বাধ্য হোৱাৰ বাবে পাঠকপাঠিকাসকললৈ ত্ৰুটি মাৰ্জ্জনাৰ কাৰণে শেষত এখনি সুকীয়া শৰাই আগ বঢ়ালোঁ।

ছাত্ৰমন্দিৰ, নাজিৰা।<br>
আহাৰ, ১৮৪০ শঁক।

নিবেদক।

# পাতনি।

বিহু ভাৰতীয় হিন্দুৰ উৎসৱ। ঠাই আৰু সমাজভেদে উৎসৱৰ সঁজুলিবো ভেদাভেদ আছে। উৎসৱে নানা ঠাইত নানা ধৰণেৰে মোট সলালেও ই যে ভাৰতব্যাপী চলিত তাক নিঃসন্দেহে কব পাৰি। জ্যোতিষশাস্ত্ৰৰ গণনামতেই ভাৰতত ই ১৫১২ বছৰৰ পৰা পুৰুষানুক্ৰমে চলি আহিছে। গতিকে বিহু ভাৰতৰ অতি পুৰণিকলীয়া উৎসৱ। সমাজৰ উপকাৰৰ কাৰণে যে ইয়াৰ জন্ম সি অতি ঠাৱৰ। পুৰণিকলীয়া বস্তুত জনসমূহৰ ৰাপ নাথাকি-লেও সমাজ অঙ্গক যি বস্তুৱে কিবা অলপ সহায় কৰিব পাৰে সেই বস্তু পুৰণি হলেও সদায় নতুন। কিয়নো, তাৰ ক্ৰিয়াৰ প্ৰভাৱ এতিয়াও সমাজৰ ওপৰত চলি আছে। কোনো আচল বস্তু বদলি হব নোৱাৰে। সোণ সোণেই। ৰূপ ৰূপেই। সোণ ৰূপ হব নোৱাৰে। ৰূপ সোণ হব নোৱাৰে। নানা বেয়া বস্তুৰ সংযোগত সোণ ৰূপ [illegible]াৰ হলেও তাক পৰিষ্কাৰ কৰাৰ ভাল উপায় আছে। সেই উপায় উলিওৱাৰ ভাৰ নিজৰ নিজৰ ওপৰত। নিজৰ গাত যদি "নিজত্ব" নাথাকে তেন্তে সেই প্ৰত্যেক জনেই নিৰুপায়। সজ বিবেচকৰ কৰ্ত্তব্য হৈছে সমাজৰ লাগতিয়াল পুৰণি বস্তুৰ পৰা সাৰ সংগ্ৰহ কৰি তাক বৰ্ত্তমান সময় আৰু সমাজৰ উপযোগী কৰি তোলা আৰু সেই সম্বলেৰেই বৰ্ত্তমান সমাজৰ মঙ্গল সাধন কৰা। সি যি কি নহওক "বিহু" যে হিন্দুৰ অতি লাগতিয়াল

উৎসৱ তাক বাহুল্যকৈ কোৱা বিড়ম্বনা মাথোন। তাৰ সমালোচনা কিন্তু আজিৰ নিমিত্তে অতি লাগতিয়াল। উৎসৱ সময় লৈ হয়। গতিকে সাময়িক উৎসৱৰ দৃশ্যৰো যে সামাজিক অৱস্থা টনকিয়াল কৰাত ভাল সহায় কৰিব পৰা হাত আছে তাক ভালকৈ বিশ্বাস কৰিব পাৰি। কৰ্ম্মী সমাজে যদি কৰ্ম্মপথত সাময়িক দৃশ্যাৱলীৰ মোল চকুৰে দেখি থাকি মনলৈ আনন্দ অনাব পাৰে তেন্তে কৰ্ম্মময় জগৎ ৰসময় হয়। তাৰ ফলত সমাজৰ আৰ্থিক অৱস্থা ভাল হোৱাৰ লগে লগে মানসিক অৱস্থাৰ উৎকৰ্ষ হৈ সমাজজীৱনৰ নৈতিক অৱস্থাৰ গুৰি শকত হয়। সেয়ে হলেই সমাজহৃদয় পৰিপুষ্ট হয় আৰু তাৰ শ্ৰী বাঢ়ে। গতিকে প্ৰাকৃতিক দৃশ্যাৱলীয়ে জাতীয় জীৱন গঠনত কিমান সহায় কৰে তাক ভালকৈ বুজিব পাৰি। সেই দেখিহে কৰ্ম্মী সমাজৰ আগত সিবিলাকৰ সাতামপুৰুষীয়া পুৰণিকলীয়া বস্তুত সময়োপযোগী ভাল ৰহণ দি কোনো চিত্ৰ আঁকি দেখুৱা প্ৰত্যেক সাহিত্যিকৰ ধৰ্ম্ম। আৰু সেই সেই পুৰণি বস্তুনো কি, তাৰ উৎপত্তি আৰু ইতিবৃত্ত ভালকৈ সমাজ-পটত আঁকি দেখুৱাই দিলেই সকলো অন্ধবিশ্বাস দূৰ হৈ কৰ্ম্ম-সমাজ-অঙ্গৰ পৰিপুষ্টি সাধন কৰাৰ আশা।

শিৱসাগৰ, কোঁৱৰপুৰ,
বহাগ, ১৮৪০ শক।

প্ৰণেতা।

# বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ।

সাহিত্য সভা লাইব্ৰেৰী।
নং

## "সত্যম্ শিৱম্ সুন্দৰম্"

### আৰম্ভণ

জগতৰ চমু দৰ্শন।

জগৎ ৰহস্যময়। ৰহস্যত আনন্দ। আনন্দত সৎ। জগতেই প্ৰকৃতি। প্ৰকৃতি সজীৱ। জীৱত চৈতন্য। চৈতন্যত পৰিবৰ্ত্তন। পৰিবৰ্ত্তনেই সাল-সলনি। সালসলনিত নৱ অভ্যুদয়। নৱ অভ্যুদয়ত সৌন্দৰ্য্য। সৌন্দৰ্য্যত চিদানন্দ, গতিকে জগতেই সৎ-চিৎ-আনন্দ উপলব্ধি কৰিবৰ ক্ষেত্ৰ। এই জগতেই জীৱনৰ উৎকৰ্ষ সাধন কৰাৰ আশ্ৰম আৰু প্ৰকৃতিয়েই আশ্ৰমৰ উপাসকসকলৰ শিক্ষয়িত্ৰী।

মানৱজীৱনৰ লীলা।

আশ্ৰমৰ উপাসকসকলৰ ভিতৰত জীৱনসংগ্ৰাম আছে। য'তে জীৱন ত'তে ঘোৰ প্ৰতিবাদ। জীৱনৰক্ষাৰ পৰা জীৱনযুদ্ধ। এই যুদ্ধৰ চৰম লক্ষ্য উৎকৰ্ষ সাধনাত। যুদ্ধত এদলৰ জয় আৰু আনদলৰ পৰাজয়। এদলৰ ভিতৰত সুখ বা আনন্দৰ জয়ধ্বনি আৰু আনদলৰ ভিতৰত দুখৰ আৰ্ত্তনাদ বা বিষাদৰ করুণ বিননি। দুখ আৰু সুখ বা বিষাদ আৰু হৰিষ

প্ৰকৃতিৰাজ্যৰ বিধানসমূহৰ আচল সাৰথি। সুখত হৰিষ আৰু দুখত বিষাদ। সুখে দুখৰ বোজা লয় আৰু দুখে সুখৰ প্ৰতিকৃতি স্মৰণ কৰে। সুখ বলী, দুখ নিৰ্ব্বলী। দুখৰ দুৰ্দ্দান্ত ভাবে পৃথিবী থলক লগাই নিজৰ প্ৰাধান্যৰ চিনাকি দিবলৈ চেষ্টা কৰিলেও সুখৰ আগত ই সদায় সেও মানে। আনন্দ সাগৰে যেতিয়া সূৰ্য্যৰ পোণপ্ৰথম ৰশ্মি নিজৰ বুকত লৈ কেলি-মেলি কৰে বিষাদ তেতিয়া অন্ধ ঘোপৰ চাৰি সীমাত থাকি স্বাৰ্থ-পূজাত ব্ৰতী হয়। প্ৰকৃতিত আনন্দ আৰু বিষাদৰ ৰেখা আছে। দুখৰ পিচত সুখ আৰু সুখৰ পিচত দুখৰ আবৰ্ত্তন। বিষাদৰ পিচতে আনন্দৰ আমোল, আনন্দৰ পিচতেই বিষাদৰ ঘোৰ বিহ্বলতা।

সমাজৰ ওপৰত প্ৰকৃতিৰ প্ৰভাৱ। তাৰ ফলত অনুষ্ঠানৰ আবিৰ্ভাব।

প্ৰকৃতিৰ ৰাজ্যত যি ক্ৰিয়া সেই ক্ৰিয়াৰ ফল ৰাজ্যৰ প্ৰজাবৰ্গৰ ওপৰত। প্ৰকৃতিৰ শিষ্য আমি মানব। মানবসমূহৰ সমষ্টিয়েই সমাজ। গতিকে সমাজত সময় আৰু অৱস্থাৰ গতি লৈ একোটি একোটি উৎসব হয়। সেই উৎসবসমূহেই এটি এটি অনুষ্ঠান। উৎসৱ সময়োপযোগী। সমাজৰ প্ৰত্যেক উৎসবৰে অৰ্থ আছে। কৰ্ম্মত আবদ্ধ হৈ থকা মনক উৎসবে আনফালে

গতি কৰায়। উৎসব বুলিলেই তাৰ উদ্দেশ্য আছে। উদ্দেশ্যবিহীনে উৎসব হব নোৱাৰে। সত্যযুগৰ পৰা আজিলৈকে হিন্দুসমাজত যুগে যুগে যুগধৰ্ম্ম অনুসাৰে উৎসৱাদি কাৰ্য্য পুৰুষানুক্ৰমে চলি আহিছে। ত্ৰেতাযুগত শ্ৰীৰামচন্দ্ৰই দুৰ্গোৎসব পতাৰ উদ্দেশ্য আছে। দ্বাপৰত শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ অৰ্থ আছে। খ্ৰীষ্টান সমাজত পুহৰ বৰদিনৰ অৰ্থ আছে। সিবিলাকৰ মে মাহৰ প্ৰথম দিনা অতি সমাৰোহেৰে পতা আমাৰ বহাগ-বিহু উৎসবৰ নিচিনা"মে-ডে" উৎসবৰ ভাল সঙ্কেত আছে। সিবিলাকৰ "বলডাঞ্চ" অৰ্থাৎ নৃত্য কাৰ্য্যাদিৰ লীলা আছে। মুছলমান সমাজত "ইদ-বক্ৰদ" উৎবাদিৰ মানে আছে। ৰীতি আৰু নীতি অনুসাৰে প্ৰত্যেক সমাজতে উৎসৱাদি চলি আহিছে। উৎসবত মতলীয়া হৈ সমাজৰ নীতিত ব্যাঘাত পৰে বুলি সমাজ-নীতিজ্ঞ সকলে প্ৰত্যেক উৎসৱতে ধৰ্ম্মৰ একাঙ্গ তাত মিহলি কৰি উৎসবক ধৰ্ম্ম-বান্ধনিৰ সূত্ৰেৰে মেৰ পাক দিলে। তেতিয়াৰ পৰা উৎসবসমূহত ধৰ্ম্মৰ ৰহণ পৰি উৎসব নীতিমূলক হ'ল। আজিৰ প্ৰত্যেক উৎসবেই নীতিমূলক। সেই দেখিহে নীতিমূলক

উৎসবৰ লগত ধৰ্ম্ম আৰু নীতিৰ সম্বন্ধ।

নোহোৱা উৎসবৰ সমাজত আজিও ঠাই নাই। কোনো অনীতিমূলক উৎসবে কেনেবাকৈ সমাজত দেখা দিলে সমাজৰ গুৰিধৰোঁতাসকল আহি উপস্থিত হয়।

## বিহুৰ উৎপত্তি আৰু তাৰ বিবৰণ।

বিহুৰ উৎপত্তিৰ সময় নিৰূপণ।

খ্ৰীষ্টপূৰ্ব্ব ২০০০ দুহেজাৰ বছৰৰ পৰা ভাৰতত বৈদিক যুগ আৰম্ভ হয়। এই যুগতেই ঋগ্‌বেদ, যজুৰ্ব্বেদ, সামবেদ আৰু অথৰ্ব্ববেদৰ উৎপত্তি। ইয়াৰ পৰা প্ৰমাণ হয় খ্ৰীঃ পূঃ ২০০০ দুহেজাৰ বছৰৰ আগেয়ে হিন্দুৰ পণ্ডিতসকলে নানা তথ্যৰ বিষয়ে আলোচনা কৰিছিল। তাৰ ফলতহে ঋগ্‌বেদাদিৰ আবিৰ্ভাৱ। কিন্তু খ্ৰীঃ পূঃ ২০০০ দুহেজাৰ বছৰৰ তাৰিখৰ আগৰ কোনো তাৰিখৰ হিচাব-পত্ৰ নোহোৱাত সঠিক বিৱৰণ পাবলৈ নাই; গতিকে তাৰ বিষয়ে একো কব নোৱাৰি। ঋগ্‌বেদ অভিনয় হোৱাৰ আগভাগ সময় তেনেই ঘোপমৰা আন্ধাৰত। কাৰ্য্যৰ উন্নতি তেতিয়াও আছিল কিন্তু সেই কাৰ্য্যাদি কি তাৰ বিষয়ে চিনচাব একো নাই। ঋগ্‌বেদত বিজ্ঞানৰ প্ৰাথমিক ৱা সৰল জ্ঞানৰ আভাস পোৱা যায়। গতিকে তেতিয়াই অৰ্থাৎ ৩৯১৭ তিনি হেজাৰ ন শ সোতৰ বছৰৰ আগেয়েই ভাৰতত জ্যোতিষৰ চৰ্চ্চা হৈছিল। যেতিয়া মিচৰ, এচিৰীয়া, চীন আৰু

ভাৰতত জ্ঞান আলোকৰ পোহৰ ভালকৈ পৰিছিল তেতিয়া ইউৰোপত কেনে বিধৰ জন্তুৱে বাস কৰিছিল তাক সঠিক কৈ কব নোৱাৰি। ভাৰতাদি যেতিয়া সেই জ্ঞান আলোকত ভালকৈ উজ্জ্বল ৰোম আৰু গ্ৰীচ তেতিয়া তেনেই গৰ্ভাৱস্থাত। সি যি কি নহওক আমাৰ ভাৰতত আমাৰ "বিহু" আবিৰ্ভাৱ হয় পৌৰাণিক যুগৰ বহুত আগতে। কাৰণ খ্ৰীঃ পূঃ ১৪০০ এহেজাৰ চাৰি শৰ পৰা ১০০০ এহেজাৰৰ মাজৰ সময়েই জ্যোতিষ চৰ্চ্চাৰ ভাল অভ্যুদয়ৰ দিন আৰু উৎসবাদিয়ে সেই শুভক্ষণতেই জন্ম লৈ নিজ নিজ নাম ভালকৈ অধিকাৰ কৰি লয়। কিন্তু সমাজ গঠনৰ অৱস্থা অনুসৰি তেতিয়াৰ বিহু উৎসৱৰ আড়ম্বৰৰ দৃশ্য এতিয়াৰ উৎসবৰে একে সাঁচত নুঠি-লেও সেই বিহু যে হিন্দুৰ সাতামপুৰুষীয়া উৎসব তাক বিশ্বাস নকৰিবৰ একো কাৰণ নাই। তাৰ পৰাই ভালকৈ প্ৰমাণ হয় যে হিন্দুৰ পূৰ্ব্ব-পুৰুষ সকল জ্যোতিষ শাস্ত্ৰত অগাধ পণ্ডিত আছিল। সিবিলাকে ঈশ্বৰৰ সৃষ্টিৰ বস্তুৰ ভিতৰত সূৰ্য্যকে প্ৰধান বস্তু বুলি ধৰিছিল। কিয়নো, সূৰ্য্য অতি শক্তিমন্ত আৰু পৃথিবীৰ সকলো বস্তুকে তাপ আৰু

অতীজ হিন্দু জগতৰ বিশ্বাস অনুসৰি কাৰ্য্য-কলাপ।

কিৰণ দিওঁতা। সূৰ্য্য অতি তেজস্বী আৰু উজ্জ্বল। সূৰ্য্যৰ কিৰণ আৰু তাপৰ অবিহনে কোনো জীৱ জীয়াই থাকিব নোৱাৰে। আনকি, সূৰ্য্যৰ তাপ আৰু পোহৰৰ অবিহনে উদ্ভিদ জগৎ নিষ্কৰ্ম্মা। অতীজ হিন্দুজগতে সূৰ্য্যক ভক্তিৰে আশ্চৰ্য্য বস্তু যেন দেখিবৰে কথা। সিবিলাকে সূৰ্য্যক যে সেৱাপূজা কৰিয়েই আছিল এনে নহয় জ্যোতিষৰ মতে সূৰ্য্যক ভালকৈ পৰীক্ষা আৰু পৰ্য্যবেক্ষণ কৰি চাইছিল। হিন্দু-জ্যোতিষ মতেই সূৰ্য্য ৰবিগ্ৰহ নামে জনাজাত। সূৰ্য্যকে গ্ৰহপতি বোলে। সিবিলাকে গ্ৰহপতিৰ গতিবিধি জানিব পাৰিছিল আৰু কোন দিনা সূৰ্য্যই দক্ষিণ ফালে আৰু কোন দিনা উত্তৰ ফালে গতি কৰে তাকো গণনা কৰি উলিয়াইছিল। অতীজ হিন্দুৰ শেষ জ্যোতিষীৰ গণনাৰ সময়ত আহাৰৰ শেষ দিনত আৰু পুহৰ শেষ দিনত সূৰ্য্যৰ গতি লৰে। এতিয়া সেই লৰচৰৰ দিন আগুৱাই আহি আহাৰৰ ৯ ন দিন যোৱাত আৰু পুহৰ ৯ দিন যোৱাত পৰিছেহি। সেই দিনা সূৰ্য্যই কৰ্কট-ক্ৰান্তিৰ পৰা দক্ষিণ ফাললৈ গতি কৰে। তাকে দক্ষিণায়ন বোলে। আৰু সূৰ্য্যই সেই দৰেই প্ৰায় ছমাহলৈ গতি কৰি মকৰ-ক্ৰান্তিৰ

হিন্দু-জ্যোতিষ মতে উৎসবৰ দিন নিৰূপণ

উত্তৰায়ন আৰু দক্ষিণায়নৰ অৰ্থ।

উত্তৰায়ন সংক্ৰান্তিয়েই মাঘ বিহু।

পৰা আকৌ উত্তৰফাললৈ গতি লয়। উত্তৰফালে গতি লোৱাকে উত্তৰায়ন বোলে। আৰু যি ঠাইৰ পৰা সূৰ্য্যই উত্তৰফাললৈ গতি কৰে তাকে দক্ষিণ অয়নান্ত বিন্দু বোলে। এই বিন্দুটিতেই উত্তৰায়ন-সংক্ৰান্তি ঘটে। এয়েই মাঘৰ বিহু বা উত্তৰায়নসংক্ৰান্তি। কোনো ৰাশিৰ পৰা সূৰ্য্য আন ৰাশিলৈ যোৱাৰ দিনকে সংক্ৰান্তি বোলে। দক্ষিণ-অয়নান্ত বিন্দুৰ পৰা সূৰ্য্যই উত্তৰ-অয়নান্ত বিন্দুলৈ গতি কৰোঁতে লাহে লাহে দিন দীঘল হৈ যায়। আকৌ উত্তৰ-অয়নান্ত বিন্দুৰ পৰা দক্ষিণলৈ বাট বুলোঁতে সূৰ্য্যৰ কিৰণৰ তেজ লাহে লাহে খীণ হয় আৰু দিন চুটি হৈ যায়। তাৰ উপৰিও আগৰ হিন্দু জ্যোতিষী সকলে বসন্ত আৰু শৰৎ ঋতুত ৰাতি দিন সমান হোৱা তিথিৰ দিন উলিয়াইছিল। বিষুৱ ৰেখাত সূৰ্য্য বছৰত দুবাৰ শিৰোবিন্দুৰে দি যোৱা দেখা যায়। এবাৰ উত্তৰ ফাললৈ আৰু এবাৰ দক্ষিণ-ফাললৈ যোৱাৰ সময়। এই দুটা সময়ত দিন আৰু ৰাতি সমান। এই দুটা বিন্দুক সূৰ্য্যৰ মেষ সংক্ৰান্তি আৰু তুলা সংক্ৰান্তি বোলে। তেতিয়া সেই গণনামতেই সেই দিন কেইটিক উৎসৱৰ দিনত পৰিণত কৰিলে। এই

সংক্ৰান্তি নিৰ্ণয়।

মেষ আৰু তুলা-সংক্ৰান্তি তত্ত্ব।

সকলো তিথিৰ দিন কেইটিৰ ভিতৰত বসন্তত ৰাতি দিন সমান হোৱা তিথিটি অৰ্থাৎ মেষ সংক্ৰান্তি তিথিটিকে ডাঙৰ তিথি বুলি ধৰিলে। কিয়নো, সূৰ্য্য তেতিয়া দক্ষিণৰ পৰা উত্তৰলৈ বাট বুলোঁতে বিষুৱ ৰেখা পাৰ হয় আৰু মীন ৰাশিৰ নক্ষত্ৰ-পুঞ্জৰ পৰা মেষ ৰাশিৰ নক্ষত্ৰ-পুঞ্জলৈ সোমায়। এই সময়তে এবছৰ দিন উকলি যায় আৰু নতুন বছৰ আৰম্ভ হয়। এই দিনেই বিষুৱ-সংক্ৰান্তি। বিষুৱ শব্দৰ পৰা "বিষু" বা "বিহু"। ৰাতিদিন সমান হোৱা দিন আৰু বিষুৱ সংক্ৰান্তিৰ সময়তেই সূৰ্য্যৰ চাৰিওফালে পৃথিবীয়ে গতি কৰা বাটত পৃথিবীৰ বিষুৱ-ৰেখাৰ লগত ভেঁটা-ভেঁটি হয়। কৰ্কট ক্ৰান্তিত ঘটা মেষ-সংক্ৰান্তিৰ দিনৰ পৰা সূৰ্য্য বিষুৱ-ৰেখা পাৰ হৈ যি ঠাইত ৰোৱা দেখা যায় আৰু তাৰ পৰা আকৌ উভতি দক্ষিণফাললৈ গতি কৰে তাক উত্তৰ-অয়নান্ত বিন্দু বোলে। যি উত্তৰ-অয়নান্ত বিন্দুৰ পৰা সূৰ্য্য বিষুৱ ৰেখা পাৰ হওঁতে ঘটা তূলা-সংক্ৰান্তি ডেই আকৌ উভতি উত্তৰ ফাললৈ যেতিয়া গতি কৰে তেতিয়া সেই ঠাইক দক্ষিণ-অয়নান্ত বিন্দু বোলে। এই কিটি দিনো বিহুউৎসৱৰ নামত পৰিণত হ'ল।

মহাবিষুৱ সংক্ৰান্তি বা বহাগৰ বিহু আৰু বিহুৰ শব্দাৰ্থ।

উত্তৰ আৰু দক্ষিণ-অয়ন[illegible]ন্দু আৰু [illegible]।

দক্ষিণ-অয়নান্ত বিন্দুত ঘটা উত্তৰায়ন-সংক্ৰান্তিয়েই মাঘৰ বিহু আৰু উত্তৰ অয়নান্ত বিন্দুত ঘটা সংক্ৰান্তি-বোলে। এই সংক্ৰান্তিৰ পৰা পুহৰ সংক্ৰান্তিলৈকে সূৰ্য্য দক্ষিণ মূৰলৈ গতি কৰে। গতিকে আহাৰৰ শেষদিনকে দক্ষিণায়ন-সংক্ৰান্তি বোলে।

দক্ষিণায়ন সংক্ৰান্তি বিহু উৎসৱত পৰিণত নোহোৱাৰ কাৰণ।

এই সংক্ৰান্তি গ্ৰীষ্ম আৰু বৰ্ষা ঋতুৰ দোমোজাত দেখি কোনো উৎসৱাদি কাৰ্য্যত পৰিণত নহল। আগত উল্লেখ কৰাৰ দৰেই উৎসৱ বুলিলে সময়োপযোগী। আহাৰ, শাওণ আৰু ভাদ মাহ খেতিবাতিৰ সময়, খেতিয়কসমূহ ক্ষেত্ৰৰ কৃষিকাৰ্য্যত ব্যস্ত। বতৰ চনকা। কেতিয়াবা অতি গৰম আৰু কেতিয়াবা অতি বৰষুণ। গতিকে এই সংক্ৰান্তি বহুত অসুবিধাৰ কাৰণে "বিহু" উৎসৱত পৰিণত হবলৈ নাপালে।

বিহুৰ নামাকৰণৰ সময় আৰু বিহু-তিথিৰ দিনৰ আগ পাচ।

পূৰ্ব্বৰ জ্যোতিষী সকলে প্ৰথমতে বিহু নামাকৰণ কৰোঁতে সেই সময়ত ঠিক সেই তিথিৰ দিনতেই উৎসৱ হৈছিল। এতিয়া সেই উৎসৱ সমূহ ২১ এৰৈকছ দিনৰ আগতে হয়। অৰ্থাৎ সেই মাহ কেইটাৰ ৯, ১০ ন, দহ তাৰিখে পৰে। তিথিৰ দিনৰ ইমান লৰচৰ হোৱাৰ কাৰণ আন একো নহয়, কেৱল মাত্ৰ সূৰ্য্যৰ গতিৰ পৰা ৭২ বাসত্তৰ বছৰত

ভাৰতৰ আন আন প্ৰদেশ আৰু আসামত "বিহু"

এদিন লৰ হয়। ইয়াৰ পৰা প্ৰমাণ হয় যে এই বিষুৱ সংক্ৰান্তিয়ে ৭২ × ২১ = ১৫১২ এহেজাৰ পাঁচশ বাৰ বছৰৰ আগেয়ে ভাৰতবৰ্ষত নিজৰ নাম পাইছিল। ইয়াৰ আগেয়ে এই বিষুৱ আৰু পিছুৱাই আহি আছিল বুলি বৰাহ-মিহিৰৰ জ্যোতিষৰ পৰা প্ৰমাণ পোৱা যায়। এই দৰেই বিহুত সামাজিক জীৱনৰ উপকাৰৰ কাৰণে ধৰ্ম্মৰ বহণ দি আৰু সমাজ জীৱনকৰ্ম্মৰ ভিতৰত এটা ঘাই বস্তু বুলি জাননী দি আৰু তাৰ দিন-বাৰ জ্যোতিষৰ সহায়ত ঠিক কৰি ভাৰত বৰ্ষৰ সকলো হিন্দুৰ মাজত প্ৰচলিত হৈ আজিও ঠিক দিন বাৰত সেই ভিত্তি আৰু নীতিমূলক বিহু উৎসৱ ভাৰতীয় হিন্দু সমাজত ভালকৈ জিলিকি থাকিব লাগিছে। ভাৰতবৰ্ষৰ আন কোনো প্ৰদেশত বিদেশীৰ ৰীতি-নীতিৰ হেঁচাত পৰি ই লোপ পোৱাৰ ভাও ধৰিলেও আসামত সেই অতীত যুগৰ ধৰ্ম্মোৎসৱে ভাল প্ৰতিপত্তি কৰি আছে। আসামে আজিও ভাৰতৰ আন আন প্ৰদেশক "বিহুৰ" জাননী দি হিন্দুধৰ্ম্মৰ ৰীতি-নীতি মান সৎকাৰৰ যে ৰক্ষা কৰিব লাগে তাক ৰিঙিয়াই কৈ দিছে॥

---

# বিহুৰ আৱশ্যকতা।

অসমীয়া আৰু বিহু।

সেই দেখি "বিহু" আসামৰ এটা ঘাই উৎসৱ। ই অসমীয়াৰ এটা সম্পত্তি। এই বিহুৰ ধ্বনি অসমীয়াৰ প্ৰাণত আজিলৈকে যে বাজি থাকিব লাগিছে ই বাস্তৱতে নিজ দেশৰ হিন্দুৰ ৰীতি-নীতিৰ গৌৰৱ।

কৰ্ম্ম জীৱন আৰু বিহু।

আগত কৈ অহাৰ দৰে সকলো সমাজৰ কৰ্ম্মজীৱনৰ পাচত জিৰণিৰ স্বৰূপে যেনেকৈ সমাজে কোনো এটা উৎসৱত মগ্ন হৈ কৰ্ম্মজীৱনৰ দুখৰ হাত সাৰি মনত আনন্দ ভাব হৃদয়ঙ্গম কৰি দুখৰ ভাৰ বৈ লৈ থকা দুৰ্ব্বল মনক আকৌ সবল কৰে তেনেকৈয়ে হিন্দুৰ কৰ্ম্মী সমাজো দিন বাৰ ঠিক কৰি থোৱা প্ৰত্যেক কামৰ আৰম্ভণৰ আগতে আৰু শেষত এটি এটি উৎসৱত মগ্ন হয়।

"বিহু" তিনটা আৰু সিহঁতৰ প্ৰকৃতি।

সেই দেখিহে ভাৰতীয় হিন্দু সমাজত আজিও তিনটা বিহু। কাতি-বিহু, মাঘ বিহু আৰু বহাগ-বিহু। বহাগৰ বিহুকে চতৰ বিহু বুলিও কয়। কাতি-বিহু কঙালি, মাঘ-বিহু ভোগালি আৰু বহাগ-বিহু ৰঙালি বুলি বুঢ়া

কাতি-বিহুৰ প্ৰকৃতিৰ পৰিচয় আৰু তাৰ উদ্দেশ্য।

লোকে কোৱা আছে। এই তিনিটি বিহুৰ উৎসৱে নিজৰ নিজৰ অৱস্থা অনুসৰি বেলেগ বেলেগ উপাধি পোৱাৰ ভাল কাৰণ আছে। ক্ষেত্ৰত যোগ দিয়া উদ্যোগী কৰ্ম্মী হিন্দু সকলে গোটেই বাৰিষা কাল শস্যৰ ক্ষেত্ৰৰ কামত ব্যস্ত হৈ বছেৰেকলৈ পেটৰ আহাৰৰ যি সম্বল লাগে সেই সম্বল ক্ষেত্ৰত ঠিক কৰি নাঙল ধুই থৈ আহিনৰ শেষ দিনা—শৰতৰ ঘোৰ আমোলত হিন্দুৰ প্ৰত্যেক ঘৰত এটি এটি যথা বিহিত থোৱা বস্তু যো-যা কৰাত ব্যস্ত হয়। এই আহিনৰ সংক্ৰান্তি বা কাতি-বিহুৱে সেই চাৰি পাচ মাহ লেকাং লাগি কাম কৰাৰ ভাগৰ পাতলাই দি আন আন অলপ দুখতে হোৱা মাহ সৰিয়হ, বেঙেনা চিৰাল ইত্যাদি ৰোৱা বাম খেতিলৈ মন আকৰ্ষণ কৰাই দি সামাজিক জীৱনৰ স্বাস্থ্য টনকিয়াল কৰে। এই কাতি-বিহুৰ উদ্দেশ্য সেয়েই। এই দিনাৰ সংক্ৰান্তিকেই জল-বিষুৱ-সংক্ৰান্তি বোলে। কিয়নো,

কাতি-বিহুৱে[illegible]জল-বিষুৱ সং[illegible]

জল = পানী + বিষুৱ = ৰাতি দিন সমান হোৱা কাল + সংক্ৰান্তি = সূৰ্য্য এক ৰাশিৰ পৰা অন্য ৰাশিলৈ যোৱা দিন। এই বিহুৰ দিনত সূৰ্য্য তুলা ৰাশিলৈ সোমায়। সেই দেখি সূৰ্য্যৰ তুলা সংক্ৰান্তি মিলা দিন ইয়াকেই

বোলে। সেই সময়ত পৃথিবীৰ সকলো ঠাইতে ৰাতি দিনৰ পৰিমাণ সমান হয় আৰু প্ৰায়েই বৰষুণ হয়, এতেকে জল-বিষুৱ-সংক্ৰান্তি (হেম কোষ)।

---

# বিহু আৰু তাৰ সাময়িক দৃশ্যাৱলী।

## কাতি-বিহু।

শাৰদীয় অভিনয়।

তেতিয়াৰ দৃশ্য অতি মনোৰম! নীল আকাশত ধৱল মেঘ। ধৱল মেঘ-মালাৰ অপৰূপ লীলা-খেলা। নৈ বিলৰ পানী নিৰ্ম্মল। হাবিৰ পহু পানীৰ মাছৰ মন নিৰ্ম্মল। বিমল শৰতৰ ৰাজ্যত সকলো নিৰ্ম্মল।—ধৈৰ্য্যশীলা ধৰণীৰ সুবিমল ক্ষেত্ৰৰ বুকত ফল-পুষ্পধাৰী শস্যৰাশি লৈ যেতিয়া ধৰণীয়ে কৰ্ত্তব্য সুঁৱৰি নিজৰ গতিত গতি কৰি অস্তমিত সূৰ্য্যৰ ফালে কেৰাহি কৈ চাবলৈ ধৰে, যেতিয়া সেউজীয়া বৰণৰ নানা তৰহৰ কোমল শস্যৰাশিৰ গালত আলফুলকৈ সূৰ্য্যৰ পবিত্ৰ সোণালি ৰশ্মিয়ে চুমা খাবলৈ ধৰে, কৰিয়ে ক্ষেত্ৰৰ মাজেদি বাট বুলি শ্যামল ক্ষেত্ৰৰ নদন-বদন শস্য ৰাশিলৈ চকু ফুৰাওঁতে যেতিয়া শস্যাধিপতি সু-লক্ষণা লক্ষ্মী দেবীয়ে অপৰূপ

মূৰ্ত্তি ধাৰণ কৰি শস্যৰাশিৰ মাজত আধিপত্য স্থাপন কৰি নিজৰ গাম্ভীৰ্য্যপূৰ্ণ বদন প্ৰকাশ কৰা দেখে, যেতিয়া দলবদ্ধ পক্ষী নিজ নিজ ঠাইলৈ মনৰ হৰিষে সুললিত ভাষাৰে কোৱা-মেলা কৰি শস্য-ৰাশিৰ ওপৰেদি উৰি যায় আৰু নিশাচৰ পশু-আকৃতি পক্ষী দূৰৈৰ পৰা চেগ বুজি লা-নি নিছিগাকৈ মানুহৰ বাৰীৰ ফাললৈ শস্যৰ ওপৰেদি উৰি আহে তেতিয়া দূৰৰ ডবা-শঙ্খৰ গহীন মাতে সকলোটিকে বিদায় দি সন্ধ্যাদেবীৰ আৰতিৰ আড়ম্বৰ কৰে। এই আড়ম্বৰৰ আমোলৰ ঢাকনি সেই কৌতুহল দৃশ্যৰ লীলাৰ গাত পৰি নিচিনা নজনা আন দৃশ্য আহি উপস্থিত হয়। তেতিয়া নীলাকাশৰ পৰা চন্দ্ৰমাই পৃথিবীৰ সকলো বস্তুৰ ওপৰত বিমল কিৰণ ঢালি বিলৰ মাজত থকা ভেঁটফুল এপাহিৰ লগত নীৰৱে ধেমালি কৰাত মগ্ন হৈ থাকোঁতে ই-পিনে ক্ষেত্ৰৰ মাজত থকা সেই প্ৰশান্ত মূৰ্ত্তিৰ যিজনা দেবী তেওঁ শ্যামল শস্যৰাশিৰ মাজে মাজে অকলশৰে ফুৰা সেই কবি-মূৰ্ত্তিৰ লগত নীৰৱে সম্মিলিত হৈ প্ৰেম-ভক্তি আশ্বাসৰ গীতৰ ৰাগিণী মুকলি সুৰেৰে গাবলৈ ধৰাত তাৰ ঝঙ্কাৰৰ প্ৰতিধ্বনি দশোদিশে বিয়পি

জগতক মুগ্ধ কৰে। সেই গানৰ কোমল সুৰত মুগ্ধ হৈ উজ্জ্বল চন্দ্ৰৰ ৰশ্মিয়ে পৃথিবীক গ্ৰাস কৰে। জগৎ তেতিয়া ক্ষন্তেকলৈ নীৰব আৰু নিশ্চল। আনন্দৰ কোলাহলে সেই নীৰবতা ভেদ কৰাত কৰ্ম্ম-জগৎ আকৌ আনন্দময়। ভোমোৰাই পদুম-চাকৰ ওপৰে ওপৰে ঘূৰি ৰস কাঢ়ি ফুৰিছে। মৌ-মাখিয়ে অতি হাবিয়াহেৰে মৌ-চাক সজাত ব্যস্ত হৈছে। কবিবৰ ভট্টিয়ে কবৰ দৰে "শ্ৰীঃ ৰাজতে সৰ্ব্বত্ৰ"। য'তে বেচি আনন্দ ত'তে কোনো এটি বস্তুৰ অভাৱ। সেই দেখিহে হবলা আমাৰ দূৰদৰ্শী বয়োবৃদ্ধ পূজ্য সকলে কোৱাৰ দৰে কাতি-বিহু কঙালি অৱস্থাত পৰিণত হবলৈ পায়।

কাতি-বিহুৰ প্ৰকৃতি-পৰিচয়-ভেদ।

আনন্দৰ ঘোৰ আমোলতে সেই দেখি এটি বস্তুৰ অভাৱ হৈ পৰে। জগতৰ কোনো বস্তুৱে সম্পূৰ্ণতা লাভ কৰিব নোৱাৰে। অসম্পূৰ্ণতাৰ পৰাই সংসাৰত জীৱন-যুদ্ধৰ সূত্ৰপাত। সি যিকি নহওক, কাতি-বিহু কঙালি বুলি কোৱাৰ মানেই এই সংক্ৰান্তিৰ সময়ত খেতি কৰা বস্তু খাবলৈ নোপোৱাক বুজায়। আগ বছৰৰ খেতিৰ যি বাদবাকী থাকে তাৰো সংখ্যা প্ৰবল নহয়। গতিকে সৰহ ভাগ খেতিয়ক সকলে

নাম মাত্ৰ সংক্ৰান্তি পালন কৰি দেশৰ ৰীতি ৰক্ষা কৰি থয়। সেই দিনা তুলসী গছৰ তলত নতুন ধীপ বান্ধি তুলসী পুলি নতুনকৈ ৰুই ভালকৈ লিপি-পুচি গধূলি পৰত যথা নিয়মে তুলসী গছৰ তলত বন্তি জ্বলাই মাহ-চাউলৰ নৈবেদ্য থাপি থয় আৰু গাঁৱৰ গৰখীয়া সৰু সৰু লৰাইঁতে নিজনিজ খেলৰ প্ৰত্যেক গৃহস্থৰ ঘৰলৈ গৈ তুলসীৰ ওচৰত সকলোটি বহি "তুলসীৰ তলে ভ্ৰমৰ গুঞ্জৰে। ঐ ৰাম গোসাঁইৰ মূৰে ছাটি ধৰে॥" "কাৰ ঘৰে লগাই বাতি। গোঁসাই পোৰে দিনে ৰাতি॥" "কানাই গল ফুলে পাৰিবলৈ, হাততে হাঁকুটি লৈ এ" ইত্যাদি নাম প্ৰসঙ্গ কৰি সেই নৈবেদ্যৰ ভাগ লৈ আঁজলিয়ে আঁজলিয়ে গৃহস্থক আশীৰ্ব্বাদ দি গৃহস্থৰ মনত অপাৰ আনন্দ দিয়ে। পালি লৰা বিলাকে হাত চাপৰি বজাই নাম প্ৰসঙ্গ কৰে। এই গল কাতি-বিহুৰ আভাস চিত্ৰ।

কাতি-বিহুত সামাজিক প্ৰথা।

শাৰদীয় অলৌকিক অভিনয় শেষ হৈছে মাথোন এনেতে ঘোৰ অৰণ্যৰ মাজত হেমন্ত আহি উপস্থিত। সেই সুযোগতে প্ৰকৃতিয়ে নিজৰ ডিঙিত মুকুতাৰ মালা পিন্ধি নীৰলে নিজৰ মুখ নিজে চাই কিবা এটি

শৰতৰ অৱসানত হেমন্ত। হেমন্তৰ আগমনত কৰ্ম্ম সমাজৰ চেগ।

গুণি বিভোল হৈ থাকোঁতে ইপিণে কৰ্ম্মী সমাজে প্ৰকৃতিক জয় কৰিবৰ ইচ্ছাৰে ক্ষেত্ৰৰ বুকৰ পৰা শস্যৰাশি ছেদ কৰি নিজ নিজ ঘৰলৈ কঢ়িয়াই নিয়াত ব্যস্ত হৈছে। লাহে লাহে শস্য-ৰাশি ক্ষেত্ৰৰ পৰা অদৃশ্য হবলৈ ধৰিছে। ক্ষেত্ৰৰ বুকত কৰ্ম্মী সমাজ। শূন্যত পক্ষীৰ নাচ-বাগ। দিগ্মণ্ডলৰ মাজত কবিৰ ভৈৰব মূৰ্ত্তি।

---

## মাঘ-বিহু।

মাঘ-বিহুৰ প্ৰকৃতিৰ লগত সাময়িক প্ৰকৃতিৰ সম্মিলন ... তাৰ সামাজিক ...

মাঘ-বিহুৰ খোৱা বস্তু মুখৰ যেনে ভোগালি প্ৰাকৃতিক দৃশ্যও ঠিক তেনে মনৰ ভোগালি। নৈ বিলৰ পাৰে পাৰে মেজিৰ নিমিত্তে কাঠ খৰিৰ ঠাক। পুখুৰীৰ পাৰে পাৰে, বালিৰ চতে চতে হোম-ঘৰ সমন্বিতে ওখ ওখ মেজিৰ সুন্দৰ দৃশ্য। এনে দৃশ্যত মজি, হৃতয়ত নানা আশা ভাৱবে লৈ কৰ্ম্মী সমাজে ক্ষেত্ৰৰ বাকী থকা ধান পৰস্পৰে পৰস্পৰক সহায় কৰি ভৰালত চপাই থোৱা ভাব

গাঁৱলীয়া সমাজত উদাৰতা আৰু সহানুভূতি।

কেনে উদাৰ! গাৱলীয়া খেতিয়কৰ সহানুভূতি কেনে নিমজ! এই বিহুত সূৰ্য্য মকৰৰাশিলৈ গতি

কৰে। এই সংক্ৰান্তিক উত্তৰায়ন-সংক্ৰান্তি বোলে। এই দিনৰ পৰাই লাহে লাহে দিন দীঘল হৈ যায়। মাঘৰ বিহু ভোগালি; কিয়নো, এই বিহুৰ সময়ত নতুন ধান পথাৰৰ পৰা চাপখাই আহি ভৰাঁলত ৰয়হি। ৩।৪ তিনি চাৰিটা ভৰাল থকা চহকীৰ পৰা চাল-ছিগা পিন্ধো কানিয়াৰ নিচিনা ভিকহুৱেও সেই বিহুলৈ বৰাজহা, মানিকীজহা, মালভোগ ধানৰ চিৰাৰ জলপান, তিল দিয়া পিঠা, ঘিলা পিঠা, তৰা পিঠা, ফেণী পিঠা, চুঙাতদিয়া পিঠা সাজি বঙা আলু, মোৱা আলুৰে সেই দিনত নিজে খোৱাৰ বাহিৰেও গঞা ভকতক খুৱাবলৈ যা যোগাৰ কৰি থবলৈ সক্ষম হয়। মাঘৰ বিহুত হিন্দুৰ কোনো এঘৰত সজোৱা জলপানৰ বাতি দেখিলেই মাঘৰ বিহু কেনে ভোগালি তাক বুজিব পাৰি। তাৰ উপৰিও খেতিয়কসমাজ প্ৰায় গোটেই মাঘ মাহ মিতিৰ-কুটুমৰ ঘৰত খোৱা বোৱা কৰাতেই ব্যস্ত থাকে। সংক্ৰান্তিৰ দিনা পূজনীয় বয়োবৃদ্ধ সকলে কীৰ্ত্তন ঘৰত নাম প্ৰসঙ্গ কৰি মহাপ্ৰভুলৈ আগবঢ়াই দিয়া নৈবেদ্যৰ শৰাইৰ ভাগ ঘৰৰ সকলোকে ভগাই দিয়ে। তাৰ পাচত ঘৰৰ মূল গৰাকীৰ চৰণত পৰি

মাঘৰ বিহুৰ প্ৰকৃতি-পৰিচয়-ভেদ।

বিহু আৰু মান-সৎকাৰ।

সংক্ৰান্তিৰ আশ্বাসতে পো-বোৱাৰী, গৃহিণী সকলো-টিয়ে আশীৰ্ব্বাদ গ্ৰহণ কৰে। 'এই নিভাঁজ মিলা-প্ৰীতিৰ ভাব প্ৰত্যেক ঘৰত বিৰাজ কৰে। বিহুৰ দহ-বাৰ দিনৰ আগৰে পৰা চেঙেলীয়া লৰাহঁতে অনেক কাৰবাৰ কৰি ঠাইৰ সুবিধামতে নৈ বা আন কোন পুখুৰী নাইবা কোনো বিলৰ দাঁতিত বিহুৰ আগ দিনা ভোজঘৰ সাজি ভোজ খায়। কোনোৱে এই ভোজ ঘৰক ভেলাঘৰ বোলে। এই ভেলাঘৰক হোমঘৰো বোলে। ভোজঘৰৰ ওচৰতে এটি কাঠ থৰিৰ মেজি দ'লৰ কলচিৰ দৰে প্ৰায় ৯।১০ ন, দহ হাত ওখকৈ ইয়াক সজা হয়। ওচৰ বা নিলগৰ পৰা ই দেখিবলৈ বৰ শুৱনি। ডাঙৰ বা বুঢ়া মেজিৰ ওচৰতে কোনোৱে আনু এটা নিয়মীয়া কিন্তু সৰু মেজি সাজে। বুঢ়া আৰু ডেকা মেজিৰ কেউ কাষে খেৰৰ পালি মেজি। এই পালি মেজিৰো ডাঙৰ সৰু আছে। লগতে কল ঠকুৱাৰ ঢেকুৱা মেজি দুই তিনটা সাজি থয়। জুই লাগি যাওঁতে ঢেৰঢেৰাই শব্দ উঠে দেখি সেই নাম। তাৰে এটা গোট বাঁহটো দি দীঘলকৈ সাজে। ভোজৰ স্থলীত ভোজ হয় মানে চেঙেলীয়াহঁতে

উৎসৱ আৰু বংশৰ বান্ধনি।

উৎসৱত সমাজ অঙ্গৰ উলাহ; উলাহত উদগণি।

মেজি।

নানা ৰং ধেমালি কৰি পালি মে-জিৰ এটা মুটাত জুই দিয়ে কেতিয়াবা সৰু ঢেকুৱা মে-জিও এই সময়তে লগাই দিয়ে। জুই লগোৱাৰ আগতে মে-জিৰ কেউ ফালে সকলোটি গোট খাই ঢোল তালেৰে "জয় হৰি বোলা, জয় ৰাম বোলা" "পালি মে-জিৰ কুশলার্থে" এই বুলি হৰিধ্বনি দি মে-জিত জুই দিয়ে। জয়ধ্বনি লগাই দিয়া ডাঙৰমূৰীয়া এজন থাকে। ভোজ খোৱাৰ পিচত গোটেই ৰাতি টিপাম ডেকাইঁত ভোজঘৰত নিশা-পালন কৰাৰ নিয়ম। ৰাতি থপিবৰ সম্বল হৈছে ভোজ ঘৰৰ মাজতে ডাঙৰ কাঠ খৰিৰ জুই একুৰা আৰু জুইৰ কেউ ফালে ডেকা সমূহ। ঢোল, ডগৰ, পেঁপা, মুৰুলী লৈ সকলোটি নির্দ্দোষ নাচ বাগ ৰং ধেমালি গান বাজনালৈ সাজু। অলপৰ পাচতে আৰম্ভণ। ওৰে নিশা সেই ধেমালিতেই ব্যস্ত। ঠিক ঢল-পুৱঁতী নিশাতে নীতি নিয়মত চলা ঘৰৰ এজন ডেকা বা ল'ৰাই গা পা ধুই বাহঁ খৰিৰ লাগনিত পালি সমূহেৰে বিশেষভাৱে জয়ধ্বনি দি আৰু মে-জিলৈ তামোল পান পা-পইছা সসন্মানে আগবঢ়াই জুই জ্বলাই দিয়ে। ৰাতিপুৱা সকলোটিয়ে স্নানাদি কার্য্য শেষ কৰি অগ্নিলৈ

মে-জিৰ দহন কার্য্যত নীতি ৰক্ষা।

অনুষ্ঠাণত ধৰ্ম্ম-প্ৰকাশ।

আৰাধনা কৰি জ্বলন্ত মে-জিৰ কেউফালে জাৰ গুচাবৰ কাৰণে জুইৰ তাপ লয়। তাৰ পিচত খোল, তাল. ঢোল, মৃদঙ্গ, ইত্যাদিৰে মে-জিৰ কেউফালে ঘুৰি ঘুৰি হৰি কীৰ্ত্তন কৰে। এই দৃশ্য অতি ধৰ্ম্ম-প্ৰাণময় আৰু চিত্তাকৰ্ষক। এনে সময়তে ঢেকুৰা মে-জিত জুই লগায়। পুৱাৰ আগতে মে-জিত জুই নিদিলে সেই মে জি অশুচি হোৱা নীতি আছে। কিন্তু পোহৰত ইয়াক জুই জলোৱাৰ উদ্দেশ্য এই যে ফটফটাই শব্দ কৰি নিমিষতে তলৰ পৰা আকাশলৈ জিভা মেলি যোৱাৰ দৃশ্য যাতে সকলোৱে দেখিবলৈ পায়। গতিকে অৱস্থা অনুসৰি ইয়াৰ নিমিত্তে স্বকীয়া নীতি উদ্ভৱ হ'ল। তাৰ পিচত হোম ঘৰত জুই দি চেঙেলীয়াহঁত দিহাদিহি গুচি যায়। ঢল-পুঁৱতী নিশা অৰ্থাৎ সংক্ৰান্তিৰ ৰাতিপুৱা কাউৰ কুকুৰ মাটিত নৌ পৰিবলৈ পাওঁতেই গৃহস্থৰ এজনে গুটি ধৰা গছত থেৰ পকাই একোটি একোটি বান্ধ-নীৰ গাঁথি দিয়ে। প্ৰত্যেক ভৰালৰ খুটাতে তেনে ধৰণৰ গাঁথি একোটি একোটি দিয়ে। সেই সংক্ৰান্তিৰ আগৰাতিৰ ঢল-পুঁৱতী নিশা প্ৰত্যেক গছত তেনে বান্ধ দিলে গছত ভালকৈ গুটি ধৰে বুলি

নীতি-নিয়মৰ সাল-সলনি আৰু তাৰ উদ্দেশ্য।

পুঁৱতী।

মানুহে বিশ্বাস কৰে আৰু সেই ভৰালৰ খুটাৰ বান্ধনীৰ দ্বাৰাই গোটেই বছৰ জোৰাকৈ ভৰালত শ্ৰীলক্ষ্মী বাস কৰে বুলি মনত ডাঠকৈ ভাবি থয়। সেই বিশ্বাস আৰু ভাবৰ অৱশ্যে উপকাৰ আছে। তেনে কথাত বৈজ্ঞানিক আৰু দাৰ্শনিক সত্যতা যে থাকিব নোৱাৰে তাৰ একো প্ৰমাণ নাই। কাৰণ, নিৰ্ম্মল নিয়ৰৰ পানী গছৰ ওপৰৰ পৰা তললৈ বৈ আহি যদি সেই বান্ধনীত ৰবলৈ পায় তেন্তে গছে তলৰ শিপাইদি জীপ লোৱাৰ বাহিৰেও সেই বান্ধনীৰ গা-গছৰ গাতে জীপ লৈ গাৰৈ সোমায় আৰু তাৰ-ফলত গছ ফলৱতী হয়। প্ৰত্যেক পুহৰ শেষ দিনা মে-জি সাজি সামাজিক ৰীতি পালন কৰাৰ উদ্দেশ্য কেৱল মানুহৰ গাৰ পৰা সেই দিনা জুই ফুৱাই জাৰ গুচোৱা। এয়েই এটা আন্দোলন আৰু আন্দোলন-টিয়েই হিন্দুৰ এটি উৎসৱ। এই দিনাই শীতেন্দ্ৰৰ কঠিন হৃদয়ৰ সহচৰক বিদায় দিয়ে। এই দিনৰ পৰা লাহে লাহে জুহালত সময় কটোৱা নিয়ম কম হৈ আহে। সূৰ্য্য-ৰশ্মিৰ তেজ বাঢ়ি যায়, অগ্নি-তাপৰ শক্তি বৃদ্ধি পায়। সি যি কি নহওক প্ৰায় দুপৰীয়া মুকলি পথাৰত গলধন ধৰা মতা ম'হৰ যুঁজ

গাঁৱৰ ৰীতিত বিজ্ঞান আৰু দৰ্শন।

ৰীতি ৰক্ষাৰ উদ্দেশ্য।

ম'হৰ যুঁজ আৰু সমূহ সম্মিলন।

চাবলৈ বহুত মানুহ গোট খায়। এই সম্মিলনৰ দৃশ্যটিও বেলেগ ধৰণৰ। এই সম্মিলনত লৰা-ঢপৰাৰ ভাগ বেচি। মহৰ যুঁজ যেনে লৰা-ঢপৰা এই সম্মিলনৰ দৃশ্যটিও ঠিক তেনে আঁজোৰা-পিজোৰা। নানা ঠাইৰ মানুহ একে ঠাইতে বিহুৰ দিনা লগ হবলৈ পোৱাত সিবিলাকৰ বন্ধুবৰ্গৰ মাজত কেনে এটা আনন্দৰ আমোল! এনে আনন্দদায়ক আৰু ভোগালি মাঘ বিহুৰ উদ্দেশ্য হৈছে হেমন্ত ঋতুত নেৰানেপেৰাকৈ পথাৰত ধান দোৱা কামৰ পিচত ভোগালি অৱসৰ লোৱা। এই অৱসৰৰ পিচতেই আকৌ আহু খেতিৰ নিমিত্তে আয়োজন। গতিকে ভোগালি মাঘ বিহুৱে শালি খেতিক আনন্দেৰে বিদায় দি আহু খেতিক নিমন্ত্ৰণ কৰে। বিহুউৎসৱ কৰ্ম্মী সমাজৰ অতি লাগতিয়াল উপকৰণ। ই কৰ্ম্মময় জগতৰ দুখৰ বোজা অক্লেশে গ্ৰহণ কৰি সমাজৰ শ্ৰী বঢ়োৱাৰ কামত ব্ৰতী হয়।

ভোগালি মাঘ-বিহুৰ উদ্দেশ্য।

শী... ...ৰ প্ৰ...।

হেমন্তৰ বিদায়ত স্বয়ং শীতেন্দ্ৰৰ সমাগম। শীতেন্দ্ৰৰ আগমনত নীৰলা প্ৰকৃতি নিশ্চলা। মুখ নিস্তেজ। দেহা অৱশ প্ৰায়। তৃণ, তৰু, লতা, পশু-পক্ষী সকলো জীৱৰ আজি শীতেন্দ্ৰৰ আজ্ঞাত তলমূৰ।

## ৰঙালি বিহুৰ আদৰণি।

(গীত)

(আজি) লই নৱ সাজ নৱবৰষৰ
হৰি অনঙ্গৰ চোকা ফুলশৰ
ঢোল পেপাঁ খোলটকা তাললৈ
আহাঁ বিহুৱান ৰঙালি।

সলনাসলনি কৰাঁ প্ৰীতিদান
দিগন্ত কপাঁই গোৱাঁ জয়-গান
ঢোলৰ গাঁজনি শুনি আতৰক
মনৰ শঙ্কা সমূলি।

জহা শালী লাহী মাণিকী মধুৰী
বোৱাঁ ৰোৱাঁ দোৱাঁ চকু জুৰ কৰি
কৰা হৃদয়ত যাউতি-যুগীয়া
প্ৰেমৰ কোমল গজালি।

কিয়নো অলীক ভাবতে বলিয়া
লভাঁ মৰততে আকাশী অমিয়া
ডুপৰনিশাতো নেহাঁহেনে বাৰু
জগত এন্নুৱা জোনালি।

আগত বিশাল কৰম ক্ষেত্ৰ
চোৱাঁ মেলি আজি ভৰসা-নেত্ৰ
কৰিব বিভূৱে কৰুণাবৃষ্টি
হব ইজীৱন সোণালি।

শ্ৰীপদ্মধৰ চলিহা।

## বহাগ-বিহু ।

বসন্তৰ আগমনত প্ৰকৃতিৰ ৰূপ আৰু কাম ।

প্ৰকৃতিয়ে শীতেন্দ্ৰৰ কঠোৰ আজ্ঞা পালন কৰি অলপ দিন আছে মাত্ৰ এনেতে বসন্তৰাণী আহি উপস্থিত। বসন্ত-ৰাণীৰ শুভাগমনত নিশ্চলা প্ৰকৃতি সচেতনা। মুখত কমনীয়তা। সুঠাম শৰীৰ, বেশ-ভূষণত মধুৰতা। সেই তৃণ, তৰু, লতা, পশু-পক্ষী সকলো জীৱৰ মাজত হৰ্ষৰ মনমোহা ছবি। সকলোৰে মন পুলকিত। যিপিনেই চোৱা যায় সেই পিনেই আনন্দৰ ৰেখ। নীৰস প্ৰাণ আজি ৰসময়। ভোমোৰাই বসন্ত-ৰাণীৰ গুণাগুণ গুণ গুণ সুৰে বখানিছে। হাবিৰ পছু পাণীৰ মাছ ৰাণীৰ মোহিনী মূৰ্ত্তিত মুগ্ধহৈ থৰলাগি লাগি ৰৈ আছে। পথাৰ উদং। গৰু-মহ উদং। উদং পথাৰত উদং কাম। মুকলি মনৰ উদং ভাব। লাহে লাহে বসন্তৰ ঘোৰ আমোল আহি উপস্থিত হ'ল। উদং কালিৰ দূৰ ডুৰণিৰ ঢোলৰ শব্দ আহি কাণত পৰিল। মুকলি মনৰ বেগ শবদৰ ফালে ঢাল ল'লে। উদাস প্ৰাণ নাচি উঠিল। গাৰ নোম ডালি ডালি হ'ল। মুকলি মনত নৱ নৱ ভাব নৱ নৱ আশাৰ গুটি গজি উঠিল। গছলতিকাই নৱ বেশ ধাৰণ কৰি মানৱক ইঙ্গিততে

জাননী দিলে। কুলিৰ পঞ্চম সুৰৰ ধ্বনি দশোদিশে বিয়পি গল। বিমোহিত প্ৰাণ চকুখাই উঠিল। জীৱ-জন্তুৰ মন উত্ৰাৱল হল। শিক্ষাদায়িনী প্ৰকৃতিৰ মুখত হাঁহিৰ ভাব ভালকৈ সঞ্চাৰ হ'ল। তেতিয়া প্ৰকৃতিয়ে কৰ্ত্তব্যৰ বীণত ৰেপ দিবলৈ ধৰিলে। মানুহৰ মন কৰ্ত্তব্যৰ ফালে ঢাল ল'লে। বসন্ত-ৰাণীৰ কৰ্ত্তব্যৰ সমিধানত ৰঙালি বিহুৰ নিচান জগতত উৰিবলৈ ধৰিলে। জগতত আনন্দৰ কোলাহল উপস্থিত হ'ল। সেই আনন্দত বৰ্ণ বিশেষে সকলো জাতিৰ মন আকৰ্ষিত হ'ল। কৰ্ম্মীসমাজৰ ঘৰৰ আগে আগে তৰাআঁহৰ সুমৰুৰ চাক ওলাবলৈ ধৰিলে। এফালৰ মানুহ আনফালে আৰু আনফালৰ মানুহ ইফালে নিজ নিজ কাম হাতত লৈ অহাযোৱা কৰাত ব্যস্ত হল। চ'তৰ শেষ দিনলৈ আৰু মাত্ৰ এদিন বাকী। সেই দিনেই ৰঙালি বিহুৰ উৰুকা চ'তৰ বিহুৰ কাৰণে সকলো পিনেধুম ধাম। চহকীয়ে চহকী ভাৱে, দুখীয়াই দুখীয়াভাৱে থোৱা বস্তু গোটো-ৱাত ব্যস্ত। গাঁৱৰ প্ৰায় সকলো মানুহ ঘৰৰ বাহি-ৰত। সকলো পিনে সকলোৱে নিজৰ নিজৰ মনেৰে পিঙ্‌পাঙ্‌ কৰি ঘুৰি ফুৰিছে। ল'ৰা বুঢ়া, ডেকা

বসন্তৰ সমিধান আৰু কৰ্ম্মী সমাজৰ জয়-গীতি।

ৰঙালি বিহুৰ উৰুকা।

গাভৰু সকলোৰে আগত আশাৰ চিন লৈ ৰঙত ভোলপাৰ লগাইছে। পেঁপা, মুৰলী, ঢোল ডগৰ ইত্যাদি গাঁৱত সকলো ঠিকঠাক। দোকানে পোহাৰে মানুহৰ জুমাজুম। বতৰ মুকলি। হাহ কনী বিচৰাই হাঁহকনী বিচাৰিছে। হাবিলৈ যোৱা হাবিলৈ গৈছে। হাট-বজাৰলৈ যোৱা হাট-বজাৰলৈ গৈছে। উদঙীয়া গৰু-ম'হবিচৰাই তাকে বিচাৰি ফুৰিবলৈ ধৰিছে। লাও বেঙেনা বিচৰাই লাও বেঙেনা বিচাৰি ফুৰিছে, দীঘলতি মাথিয়তী বিচৰাই তাকে বিচাৰি ঘুৰি ফুৰিছে, গাঁৱৰ পিজৌ কানীয়ায়ো লোকৰ লগতে হৰিভৰ দি কাণত ফটা গামোছা থনলৈ ঘুৰি ফুৰিছে। গাৱঁৰ প্ৰায় ডেকাল'ৰাই চিলা-পথৰা · ৰুমাল, কোট-ছাদৰ, আৰ্চি-ফণি,—লং দালচেনি কিনি লৈ ৰঙত বিভোল। এইদিনেই বছৰ বিদায় দিনৰ আগজাননী। ৰাতিটি শেষ হৈছে মাথোন এনেতে নতুন বছৰৰ কৰ্ত্তব্য কৰ্ম্ম-সেৱাৰ জাননী আহি উপস্থিত হ'ল। এইটিয়েই মানবৰ কৰ্ম্ম জীৱনত ৰস দিওঁতা মহোৎসৱ। ইয়াকেই মহাৰিষুৱ-সংক্ৰান্তি বোলে। এয়েই বহাগৰ বিহু বা চ'তৰ বিহু। এই তিথিত দান-দক্ষিণা কৰা এটি শুভকাৰ্য্য। দীন-

মহাৰিষুৱ সংক্ৰান্তি
বা
বহাগ-বিহু।

মহাৰিষুৱ
সংক্ৰান্তিৰ গুণাগুণ।

দৰিদ্ৰক সহায় কৰাৰ দিন এইটিয়েই আৰু সেয়েই গৃহস্থৰ পুণ্য কাম আৰু গাৰ্হস্থ্য ধৰ্ম্ম। নতুন বছৰৰ দিন বাৰ চোৱাৰ দিন এইটিয়েই। বৰ্ষ-চক্ৰৰ ফলা-ফল গণনা কৰা জ্যোতিষী সকলৰ আৰু পুৰোহিত ব্ৰাহ্মণ সকলে গৃহস্থৰ ঘৰে ঘৰে গৈ মহাপ্ৰভুৰ আগৰ নিৰ্ম্মালি দি গৃহস্থৰ মনত অপূৰ্ব্ব আনন্দৰ পবিত্ৰ ভাব সুমুৱাই দান-দক্ষিণা গ্ৰহণ কৰাৰ এই-টিয়েই ভাল চেগ্। সংক্ৰান্তিৰ ৰাতিপুৱা স্নানাদি কাৰ্য্য শেষ কৰি ঘৰৰ ভিতৰ বাহিৰ মাটিৰে ভালকৈ লিপি-পুচি পৰিষ্কাৰ কৰে। সেই সময়ত এজন বিদেশীৰ চকুত যদি এই দৃশ্যটি পৰিবলৈ পায় তেন্তে সেই গৃহস্থৰ ঘৰৰ ওপৰত পবিত্ৰতা ভাব ভালকৈ তেওঁৰ মনত নুঠাকে নাথাকে। তেনে স্থলীত গৃহস্থৰ ঘৰত শ্ৰীলক্ষ্মী বাসকৰাৰ পট ভালকৈ জিলিকি উঠে। দহ-বাৰ বজালৈকে গৃহস্থৰ ঘৰত মাহ-হালধি বটা, লাও কোমোৰা কুটা, নাম ঘৰত কীৰ্ত্তন আদি প্ৰসঙ্গ কৰা, অভ্যাগতজনক সেৱা শুশ্ৰূষা কৰা; দহ গঁয়া ভকতক উৎসৱৰ বাবে হাত মুখ ধুউৱা কামত ব্যস্ত। ইপিনে প্ৰায় ন মান বজাত গাত ন ন গামোচাৰে সৰু সৰু ল'ৰা ছোৱালীয়ে লাও, বেঙ্গেনা

সংক্ৰান্তিত পৰিচ্ছন্নতা আৰু পৰিচ্ছন্নতাত পবিত্ৰতা।

অতিথি সেৱা আৰু গৰু শুশ্ৰূষা।

গৰুৰ গা ধুওৱা আৰু তাৰ দৃশ্য।

চাকৰ চালনি মূৰত লৈ বহুত মানুহ গোটখাই হাতে হাতত দীঘ্‌লতি মাখিয়তী লৈ গৰুৰ জাক খেদাইনি কোনো বিল বা নৈৰ দাঁতিত থৈ গৰুৰ কুশল কামনাৰে জয়ধ্বনি দি মূৰে গাই মাহ-হালধি তেলী ছাই ঘঁহা গৰু বোৰক পানীলৈ ঠেলিদি গা ধূৱায়। গা ধূৱাই উঠি গৰুৰ গালৈ "লাওখা" "বেঙ্গেনা খা" ইত্যাদি মাতেৰে লাও বেঙ্গেনা গৰুৰ গালৈ দলিয়াই গৰু বোৰক সম্ভাষণ কৰে। গৰু বোৰে লাও বেঙ্গেনাৰ চমটা পাই তিতাগাৰে তিকা ডাঙ্গি ডাঙ্গি জপিয়াই নেগুৰ ঠিয় কৰি ৰঙ্গত লৰ দিবলৈ ধৰে। ইপিনে গৰু-গা ধুউৱা সকলে গৰুৰ পৰা মানুহৰ গাতে লাও বেঙ্গেনা ইজন-সিজনৰ গাত মৰামৰি কৰি নিজৰ কৰিব লগীয়া কাম শেষ কৰে। চালনিত থকা লাও বেঙ্গেনাৰ চাক ইজন-সিজনৰ পৰা অনা নিয়া কৰি তেতিয়াই সলনাসলনি কৰে। এই দৃশ্য অতি আনন্দজনক। তাৰ পিচত লাও বেঙ্গেনা চাকৰ মাৰিৰ মূৰ কেইটি ভাঙ্গি ঘৰলৈ আহি সেই চাক ভুৱাৰ দলিৰ ওপৰৰ ঘৰৰ চালত থয়। বাকী থকা সেই কেৰেলা বেঙ্গেনা বোৰ দৰবত লাগে বুলি কয়। সেই সময়তে ডেকা সকলে সুবিধা বুজি নৈত

নাও-খেল।

মাৰৰ খেল পাতে। ছয় সাত থন নাও একে লগ কৰি কোনো সোঁত থকা নৈত একে শাৰীতে জাঁত জাঁত হীৰানাম দি নাও উজনি ভাটীকৈ খেৱা-দিয়ে। নামৰ চেৱে চেৱে নাও দোপত দোপে আগ বাঢ়ি বলৈ ধৰে। উজনি ফালে মূ কৰিলে সকলোটি উঠি শৃঙ্খলা লগাই নামৰ চেৱে চেৱে ব'ঠা চবিয়ায়। নাও ভাটী মূ হ'লে সকলোটি বহি হাতেৰে নাও চবিয়াই নাৱত গিৰিপ গিৰিপ কৰে চপৰিয়াই নাও খেৱা দিয়ে। নাৱৰ গুৰি ধৰাজনে নাম লগাই দিয়ে।

নাও-খেল আৰু হৰি-সঙ্কীৰ্ত্তণ।

নৈৰ পাৰৰ পৰা নাৱৰ শাৰী, নামলগোৱাৰ মাত, পালি সকলৰ সেই নামৰ ধ্বনি, ব'ঠা চবিওৱাৰ চেও আৰু হাত চৰিওৱাৰ ঠগ এনেদৰে মিলি যোৱাৰ দৃশ্য আনকি যদি এজন বিদেশী বুজন মানুহে চকুৰে দেখিবলৈ আৰু কানেৰে শুনিবলৈ পায় তেন্তে তেওঁৰ হৃদয় তাত আকৰ্ষিত নহৈ নোৱাৰে।

নাও খেলৰ প্ৰভাব মনৰ ওপৰত।

এনে সময়ত নৈৰ দৃশ্য দেখিবলৈ অঁতি ম[illegible]। পানীৰ মাজৰ নাৱৰ ওপৰত হৰিধ্বনি, ঘাটে [illegible]টে নৈৰ দাঁতিত গাধোৱা মানুহৰ জুম। বালিৰ চতে চতে আকৌ পিলিঙা ডেকা সকলৰ মাজত নিজ নিজ গাৰ বলৰ অৰিয়াঅৰি। নানাধৰণৰ কুস্তি,

উৎসৱত অঙ্গ-পৰিচালনা।

যুঁজ ইত্যাদিৰ খেল। তাৰ পিচত সকলোটি নিজ নিজ ঘৰলৈ গৈ জা-জলপান খোৱাৰ কামত ব্যস্ত হয়। তাক খাই উঠি পূজ্য সকলক নিয়ম অনুসাৰে সেৱা-শুশ্ৰূষা কৰি পৰিষ্কাৰ কাপোৰকানি পিন্ধি আনন্দত মতলীয়া হয়। গাৱঁৰ সকলোটিয়ে ইঘৰ সিঘৰলৈ গৈ বিহুৰ সম্ভাষণ জনাই মিল্ প্ৰীতিৰ চিনাকি দিয়ে। আপোন মানুহৰ ভিতৰত উদ্ভৱ হোৱা ঘৰুৱা বিবাদ মিট-মাত কৰিবৰ বিহুৱেই ঘাই সাৰথি। গতিকে সামাজিক লেঠাৰ আউল ভঙ্গা বিহু ভাৰতীয় হিন্দু-সমাজৰ এটা ঘাই সম্বল। সি যি কিনহওক ডেকা-গাভৰু. লৰা-ছোৱালী পিন্ধি উৰি গাৱৰ ইঘৰৰ পৰা সিঘৰলৈ অহা যোৱা কৰা দৃশ্য অতি সৰল আৰু নিৰ্দ্দোষ ভাৱৰ। গাৱঁলীয়া দৃশ্যত মুগ্ধ হোৱা আমাৰ উঠি অহা কবিৰ ভাষাৰে—

সমাজত মিল-প্ৰীতি অনা বিহু ঘাই সম্বল।

গাৱঁত সৰলতাৰ প্ৰভাৱ।

"সন্তোষীয়া সৰল চহাৰ,
বিনন্দীয়া প্ৰাণৰ পথাৰ,—
হেম্বাৰাৱক লুপ্ত কৰে শিঙ্গা পেঁপাৰ বোলে ;
(তাৰে) মইনা কুলি কেতেকীয়ে তালে তালে
তোলে।"

গৰুৰ সৰঞ্জাম।

এই দৰেই দিনৰ দিনটো। সূৰ্য্য অস্তগিৰি পাৰ হৰ খোজোতেই ঘৰৰ পদূলিয়ে পদূলিয়ে তুঁহ, খেৰ, টিকনিবৰুৱা, ঠোঁটনি বন ইত্যাদিৰে জুইজাগৰ ধোঁৱা দেখিবলৈ পোৱা যায়। সেই সময়তে ঘৰলৈ চাপি আহি গোহালিয়ে গোহালিয়ে বৈ থকা গৰুৰ ডিঙ্গিত তৰাআঁহৰ নতুন ডুগুনীয়া ধুনীয়া ধুনীয়া পঘা। সেই জুই-জাগৰ উদ্দেশ্য এই যে সেই দিনাৰ পৰা মহ'ডাঁহ খেদাবলৈ জাগৰ ধোৱাঁ আৰম্ভ কৰা হয় আৰু গৰুবটুৱা নহয় বুলি খেতিয়ক সকলে বিশ্বাস কৰে। সি যি কিনহওক সন্ধ্যাৰ আৰতি শেষ হৈছে মাথোন এনেতে গাঁৱৰ বুঢ়া, ডেকা, ল'ৰা সকলো মিলি ঢোল, তাল, পেঁপা মুৰুলী লৈ হুঁচৰি গোৱাত ব্যস্ত। হুঁচৰি গোৱা মানুহ জুমে জুমে এফালৰ পৰা আনফাললৈ গতি কৰাৰ দৃশ্য অতি সন্তোষজনক। গতিত প্ৰকৃতি সজীৱ। অন্তৰত নিৰ্ভীকতা ৰেখাৰ চিন। প্ৰায় প্ৰত্যেক গাঁৱঁত "গোবিন্দ কৃষ্ণ গোবিন্দ কৃষ্ণ ৰাম নাৰায়ণ হৰি এ হে," "ৰাম জয় হৰি এ হে," "চাই থাক চুঙ্গীয়া হাতত কাঁড়েফাই লৈ চৰাই কোনোঢালে যায়ে ঐ" ; ইত্যাদি ঘোষাৰ চেৱে চেৱে ঢোলৰ গ্ৰিং

গৰু আৰু বিহু।

গ্ৰিং শব্দৰ মাত। তালৰ চাপৰি, পেঁপাৰ চেও, ডেকাগীতৰ ধ্বনি অতি সুললিত। নামলগোৱা-জন বয়সীয়া। "শঙ্কলদিব ৰজাৰে পুতেক মণি কোৱঁৰ, চৰাই কোনো ঢালে যায়ে ঐ"—"এবেলা দোলাতে, এ বেলা ঘোৰাতে, এবেলা খেলি খেলাওঁতে ঐ" বুলি নামলগোৱা জনে পদলগাই দিয়ে আৰু ইসকলে ঘোষা গাই গৃহস্থৰ চোতালত ঘূৰি ঘূৰি সুন্দৰৰূপে নামলৈ বিহুৰ নিৰ্দ্দোষ নাচ-বাগ আৰম্ভ কৰে। ৩০২৫/অ: ~~১৭৮-৩/অ:~~

অৱশেষত গৃহস্থৰ সেৱা-শুশ্ৰূষা ৰীতিমতে গ্ৰহণ কৰি গৃহস্থক আঁজলিয়ে আঁজলিয়ে আশীৰ্ব্বাদ দি এই দৰেই তিনদিন এই ৰঙালি বিহুত কৰ্ম্মী সকল লিপ্ত হয়। হুঁচৰিনাম গোৱাৰ কোনো খেলৰ

গাৰ্ঁলীয়া ৰাইজৰ অৰ্থ-নীতি।

ৰাইজৰ মাজত যি পইছা উঠে সেই পইছা ৰাইজৰ ভৰালিৰ হাতত জমা কৰি থয়। সময়ত দৰকাৰ যেন দেখিলে সেই পইছা খৰছ কৰি ৰায়তৰ উপ-কাৰৰ কাৰণে বৰসবাহ পাতে। তাকে গৰখীয়া সবাহ বোলে।

গাৰ্ঁলীয়া অৰ্থ-নীতিত ধৰ্ম্ম-প্ৰকাশ।

যিবিলাকে বিহুৰ বাবে অনেক অনীতিমূলক দোষাৰোপ কৰে সিবিলাকে ইয়াৰ পৰাই বুজি লব লাগে যে বিহুৰ সাৰাংশ গৈ কেনেকৈ ধৰ্ম্মত

লাগেগৈ। আগত কোৱাৰ দৰে বিহুউৎসৱ ধৰ্ম্ম আৰু নীতিমূলক। কোনো প্ৰাদেশিক উৎসৱৰ বাবে এজন বিদেশীয়ে অৰুচিকৰ মন্তব্য প্ৰকাশ কৰাৰ আগতে সেই উৎসৱৰ ইতিবৃত্ত ভাল সূত্ৰৰ পৰা তেওঁ ভালকৈ জানিলৈ নিজৰ ভুল শুধৰাব লাগে। তাকে নকৰিলে কোনো সমাজৰ বুৰঞ্জী জনাত ব্যাঘাত হয়। বুৰঞ্জী নজনা বিদেশী এজন যদি কোনো সমাজৰ আশ্ৰয়ত থাকে তেন্তে সেই সমাজৰ শ্ৰী নেদেখা দূৰৈৰ কথা আন কি সমাজৰ অনেক কুৎসাহে ৰটে। সেই মানুহৰ পৰা সমাজত বহুত অপকাৰ হোৱাৰ সম্ভৱ। তেনে ধৰণৰ মানুহ কোনো সমাজত থাকিলে তাৰ নিমিত্তে সমাজে ভালকৈ সাবধান লোৱা উচিত। বিহু উৎসৱৰ নিচিনা কোনো উৎসৱৰ গাত কোনোৱে ঘৃণা সূচক তীব্ৰ বাণ মাৰিলে তেওঁ জানি লব লাগে যে সভ্য সমাজ বুলি চিনাকি দিয়া সমাজৰ পৰা অসভ্য জাতিৰ সমাজলৈকে এনে ৰঙিয়াল উৎসৱত মগ্ন হোৱা মানৱ জাতিৰ এটি স্বাভাৱিক নিয়ম।

বিদেশীয় সমালোচকলৈ সঙ্কেত।

আসামৰ ৰঙালি বহাগ-বিহুৰ উৎসৱৰ নিচিনা বিলাতৰ ৰঙালি "মে-ডে" উৎসৱে চিঞঁৰি চিঞঁৰি

অসমীয়া বিহু আৰু বিলাতী বিহু বা "মে-ডে"।

কয় যে কৰ্ম্ম-জীৱনত ৰস যোগাবলৈ জগতৰ সকলো সমাজতে বিধ বিধৰ উৎসৱ বিধে বিধে হৈ থকা নিতান্ত যুগুত। উত্তৰায়ণ সংক্ৰান্তিৰ ৰাতিপুৱা

আসামৰ মে-জি আৰু বিলাতৰ মে-জি বা “বনফায়াৰ”।

মে-জি জুইৰ দৃশ্যই যুৰোপীয় এজন বিদেশীক তেওঁৰ “বন ফায়াৰ” বা বিলাতী মে-জিৰ কেউকাষে ৰং ধেমালি কৰালৈ মনত নেপেলোৱাকৈ নাথাকে। বিদেশীৰ চকুত নিজৰটি ভাল আৰু আনৰটি অলপ বেলেগ দেখাও এটি সত্য। সেই বুলি মহাৱিযুৱ সংক্ৰান্তিৰ জনাজাত নামেৰে ভালকৈ প্ৰচলিত হৈ থকা বিহুত কিবা সত্য নাই বা ভাঁজ আছে বুলি কোনোৱে মন্তব্য প্ৰকাশ কৰাৰ আগতে ভালকৈ ভাবি চাব। আগত উল্লেখ কৰি অহাৰ দৰেই

ৰঙালি বিহুৰ কৰ্ম্মত উদগণি।

“বিযুৱ” পৰা “বিহু”। এই ৰঙালি বিহুৱে কৰ্ম্ম-ক্ষেত্ৰত বাট বোলাৰ আগ জাননী দিয়ে। তেতিয়াৰে পৰা বিহুৱান সকলে কঁকালত টঙ্গালি মাৰিলৈ ক্ষেত্ৰৰ কামত আবদ্ধ হয়। আগত কোৱাৰ দৰেই

ৰঙালি বিহুৰ প্ৰাকৃতিক দৃশ্য।

এই সময়ৰ দৃশ্য অতি মনমোহা। যিপিনেই চোৱা যায় সেই পিনেই ৰসাল। পথাৰত সেউজীয়া ঘাঁহ বিহুৰ নতুন পানী পাইৰংধৰি বাঢ়ি আহিছে। পশু পক্ষী-কীট পতঙ্গৰ গালৈ নতুন তেজ আহিছে। সূৰ্য্যৰ

কিৰণ লাহে লাহে তেজোময় হৈ গছলতাৰ গাত নতুন ৰহণ ঢালিছে। কুলিৰ পঞ্চম তানত কবি ভোল গৈছে। এজাৰে নিজাৰ পেলাইছে, বাটে পোৱালি মেলিছে, মৰাগৰু চালে হেম্বেলিয়াইছে। ফল-ফুলৰ ওপৰে ওপৰে ভোমোৰাই গুঞ্জৰি ফুৰিছে। মৰি থকা গছ বননিত গজালি উঠিছে। নৈ, বিল, পুখুৰীৰ পানী বাঢ়িব ধৰিছে। সকলোটিৰে শ্ৰী, সকলোটিৰে বৃদ্ধি। এই শ্ৰী-বৃদ্ধিৰ সৌন্দৰ্য্যত প্ৰকৃতি আকৌ আপোনা আপুনিয়েই মত্ত আৰু নিজেই মুগ্ধ। কৰ্ত্তব্য-বীণৰ সুৰলৈ স্মৰণকৰি তেতিয়া কবিয়ে চিত্ৰাঙ্কণ কৰিবলৈ হাতত লিখনী লৈছে, খেতিয়কে হাতত কোৰ-কটাৰি লৈ ক্ষেত্ৰৰ ফালে খোজ লৈছে।

কবিৰ কৰ্ত্তব্য-জ্ঞান আৰু খেতিয়কৰ কৰ্ম্ম-বোধ।

---

# সামৰণি-শৰাইত বিহুৰ অৰিহণা।

বৰ্ত্তমান যুগৰ বিহু উৎসৱত অসমীয়া জাতিৰ কৰ্ত্তব্য।

বিহু যদিও খোৱা-বোৱা বং ধেমালিৰ সামাজিক উৎসৱ তথাপি ইয়াৰ শক্তি গৈ যাতে জাতীয় জীৱনত ক্ৰিয়া কৰিবলৈ সুবিধা পায় তাৰ নিমিত্তে বৰ্ত্তমান যুগৰ কৰ্ম্ম-বীৰ সকলে চল বিচৰা যুগুত। কোনো ধেমালিত এপিনে খৰছ কৰা পা-পইছা যাতে আকৌ সেই ধেমালিৰ পৰাই দুগুণ লাভেৰে ধন ওলায় তাৰ নিমিত্তেও বাট বিচাৰিবৰ যুগ আহি আজি অসমীয়াৰ জাতীয়-জীৱন ঘৰৰ দুৱাৰ দ'লিৰ মুখত উপস্থিত। বিহু উৎসৱটোক অসমীয়াৰ এটা জাতীয় অনুষ্ঠান কৰি তুলিব পাৰিলে আৰু বহুত কাম হয়। বিহু উৎসৱত হিন্দুৰ দৰেই মছলমান ভাই সকলে নিজ নিজ ঘৰত খোৱা-বোৱা কামত ৰাপ দেখি বিহু যে অসমীয়াৰ জাতীয় অনুষ্ঠান হব পাৰে তাক বিশ্বাস কৰিবৰ নিমিত্তে হৃদয়ে দঢ়াই কয়। অসমীয়া মছলমান সম্প্ৰদায়ে সেই বিহু উৎসৱত বহুত ৰীতি-নীতি পালন কৰাৰ দৰকাৰ নহলেও সমূহ উন্নতিৰ নিমিত্তে যে হিন্দু মছলমান দুয়োদলে

শিৱসাগৰত বিহু সন্মিলনী আৰু প্ৰস্তাৱ।

ঐক্যবলত যোগ দিব লাগে তাক বাহুল্যকৈ নকলেও হয়। বিহু বিহুয়েই; কিন্তু সেই বিহুত জাতীয় অনুষ্ঠানলৈ যি সম্বল লাগে সেই সম্বল তাৰে পৰাই উলিয়াব পৰাৰ বুদ্ধি বিচৰা প্ৰত্যেক অসমীয়াৰে দৰকাৰ। ১৮৪০ শকৰ বহাগ-বিহুৰ দিনা শিৱসাগৰত হোৱা বিহু সন্মিলনীৰ পোন প্ৰথম অধিবেশনত আলোচনা কৰা মতে সেই সন্মিলনীৰ পৰা বিহু উৎসৱৰ সম্বন্ধলৈ বহুত কাম হাতত লবৰ অভিপ্ৰায়ে কাৰ্য্যনিৰ্ব্বাহক সমিতি এটি গঠন কৰা হৈছে। সেই সমিতিয়ে বিহুৰ দিনত নামনি আসামৰ ফালে বহাগ-বিহু উপলক্ষে ঠায়ে ঠায়ে এখনি এখনি মেলা বহাৰ দৰে আসামৰ সকলো ঠাইতে তেনে ধৰণৰ বা তাতোকৈ উন্নত ধৰণৰ মেলা বছৰে পতি বহাগ বিহু উৎসৱত এখনি এখনি পাতিবৰ নিমিত্তে কিছু কাম হাতত লবলৈ যো-যা কৰিছে; আৰু সেই চেগতে মেলাত গোট খোৱা মানুহৰ ভিতৰত কাপোৰ-কানি কিনা-বেচা কৰি যাতে দেশৰ প্ৰত্যেক সমাজত বেচি পৰিমাণে অৰ্থবল বাঢ়ে তাৰ নিমিত্তে আসামৰ সকলো ঠাইৰ মুখীয়াল মানুহে চেষ্টা কৰি এখনি এখনি সমিতি গঠন কৰি জাতীয় অনুষ্ঠানত যোগ

দিবলৈ চেষ্টা কৰিব লাগে। বিহুৰ মেলা মানে বিহুৰ মেলাত ঘৰত বোৱা কাপোৰ-কানিৰ নিচিনা ঘৰুৱা শিল্পজাত বস্তুৰ এখনি প্ৰদৰ্শনী। তেনেবিধৰ প্ৰদৰ্শনীৰ পৰা গাঁৱেঁ গাঁৱেঁ কাপোৰ-কানি বোৱা, মূগা, পাত, এৰি নানা ধৰনৰ সূতা আৰু আন আন কামৰ বৃদ্ধি হোৱাৰ লগে লগে দেশীয় সকলো লোকৰ মাজত বৰ্ণবিশেষে মিল-প্ৰীতি, সদ্ভাৱ ইত্যাদি সদ্‌গুণৰ এটি মহৎ, অড়ম্বৰৰ অবিৰ্ভাব হব। লিখকে এই পুথিত উজনি আসামত হোৱা উৎসৱৰ ৰীতি-নীতিৰ পিচ-ধৰি সামাজিক চিত্ৰপট আঁকিবলৈ বাধ্য হল। নামনি আসামৰ ফালে বিহু উৎসৱত পালন কৰা যি ৰীতি-নীতিৰ পৰা সমাজ-জীৱনৰ নৈতিক, আৰ্থিক আৰু পৰমাৰ্থিক-বল বাঢ়ে তাক আগলৈ এই পুথিৰ বোকোচাত তুলি লবলৈ লিখকে যত্ন কৰি আগ বাঢ়িলে। এই ক্ষুদ্ৰ পুথি লিখাৰ আগতে ই কেৱল উৎসৱোপযোগী এখনি ৰচনা আছিল বুলি নিবেদনৰ শৰাইৰ দ্বাৰা আগতে জনোৱা হৈছে। গতিকে অনীতিৰ বিৰুদ্ধে যোৱাৰ ভয়ত সেই অধিবেশনৰ ৰচনাত নথকা কথা নতুনকৈ যোগ দিবলৈ সাহ নহল। তাৰ ফলত এই পুথিৰ এই তাঙ্গৰণত বিহুৰ বিষয়ে নামনি আসামৰ বহুত কথা বাদ পৰিল। এই পুথিৰ দ্বিতীয় তাঙ্গৰণলৈ সকলো সম্বল ঠিক কৰিবৰ নিমিত্তে সাজু হলোঁ। পাঠকপাঠিকা সকলে এই বাৰলৈ ক্ৰুটী মাৰ্জ্জনা কৰে যেন।

প্ৰস্তাৱৰ সম্বল অনুমানিক সত্যতা।

লিখকৰ পিঠিত বোজা।

ক্ৰুটীমাৰ্জ্জনা।

৩০২৫/অঃ

~~১৭৮৩/অঃ~~

ক।

# অনুৰোধ।

এই ক্ষুদ্ৰ পুথিক আগতলৈ লিখকে বৰ্ত্তমান তলত লিখাৰ ছখনি পুথিৰ কাম হাতত লৈছে। প্ৰথম : খনিৰ ২য় আৰু ৭ম খণ্ডৰ নিমিত্তে আৰু পঞ্চম খনিলৈ যি হয় সম্বলৰ কাৰণে অসমীয়া সাহিত্যিক সকলৈ সময়ত খবৰ যাব। সাহিত্য-সেৱক সকলে যেন সময়ত সহানুভূতি প্ৰকাশ কৰি কৃতজ্ঞতাৰ পাশত আবদ্ধ ৰাখিবলৈ সুবিধা দিয়ে। এই মিনতি।

১। "অসমীয়া ভাষা আৰু সাহিত্য"

( আদিযুগৰ পৰা এতিয়ালৈকে )

এই পুথি ৯ ভাগত বিভক্ত থাকিব। তাৰ উপৰিও, ওপৰঞ্চি।

২। "তৰ্কবিজ্ঞানৰ দুটিমান কথা"

( দুয়োখণ্ড একেলগে—কলেজ আৰু স্কুলৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰৰ উপযোগীকৈ।

৩। "প্ৰাথমিক বিজ্ঞান তত্ত্ব"

( নুমলীয়া ছাত্ৰৰ নিমিত্তে উপযোগীকৈ )

৪। "পৰমাৰ্থ—বাণী"

( উদাৰ জগতৰ সমূহ জনৰ উপকাৰৰ নিমিত্তে )

৫। "কল্পতৰু"

( মানৱ জাতিৰ সকলো বিধৰ লোকৰ নিমিত্তে )

৬। "An Elementary Anglo-Assamese Grammar" on a new easy Method and Plan For Classes III, IV V of High English Schools of Assam.

প্ৰত্যেক ঠাইৰ গ্ৰাহকে সুবিধা মতে—

"বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ প্ৰণেতাৰ নতুন আৰু প্ৰথম পুথি" পাবৰ নিমিত্তে ঠিকনা :—

দাম ।৵০ অনা মাত্ৰ।

১। অধ্যক্ষ, ছাত্ৰ-মন্দিৰ নাজিৰা।

২। মেনেজাৰ, হাতীকাকতী ষ্টোৰ্চ নাজিৰা।

৩। মেনেজাৰ, ভড়ালি ষ্টোৰ্চ শিৱসাগৰ।

৪। মেনেজাৰ, কমল এজেঞ্চী গুৱাহাটী

৫। শ্ৰীযুত ধৰ্ম্মেশ্বৰ শইকীয়া বুক এজেণ্ট নৰ্থ লক্ষীমপুৰ।

৬। বড়কটকী এণ্ড ব্ৰাদাৰ্চ যোৰহাট বজাৰ আৰু ককিলামুখ।

৭। ভট্টাচাৰ্য্য এজেঞ্চী, ডিব্ৰুগড়।

৮। B. N. Sons & Co. Nowgong

৯। শ্ৰীযুত ভৈৰবচন্দ্ৰ খাটনিয়াৰ নৰ্ম্মাল স্কুল, যোৰহাট।

১০। লক্ষ্মীগোপাল এজেঞ্চী পোঃ আঠগৰীয়া কামৰূপ।

১১। T. Brothers.—Tezpur.